# শ্ৰীমদ্ভাগৱত আৰু শংকৰদেৱৰ একশৰণ নামধৰ্ম

—অতুল চন্দ্ৰ নাথ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
মায়ং আঞ্চলিক মহাবিদ্যালয়

প্ৰস্তাৱনা ঃ

অষ্টাদশ পুৰাণৰ ভিতৰত 'শ্ৰীমদ্ভাগৱত' ক 'পুৰাণ সূৰ্য্য' অৰ্থাৎ শ্ৰেষ্ঠ বুলি কোৱা হয়। ভাৰতৰ বৈষ্ণৱ সম্প্ৰদায়ৰ মূল গ্ৰন্থ এই 'ভাগৱত পুৰাণ'ৰ বক্তা হ'ল ৰৌমহৰ্ষণ উগ্ৰশ্ৰৱা সুত। এই 'ভাগৱত' শাস্ত্ৰৰ মূল তত্ত্ব ৰহস্য ভক্তি। ব্ৰজৰ গোপীক, উদ্ধৱ, বিদুৰ, মৈত্ৰেয়, বসুদেৱ, পৰীক্ষিত আদিক এই ৰহস্য ভক্তি কৃষ্ণই দিছিল। সৰ্বজনসাধাৰণে যাতে মান্য কৰিব পাৰে বা সেৱা জনাব পাৰে তালৈ বিশেষ গুৰুত্ব দি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পৰম ব্ৰহ্মাৰ প্ৰতীক হিচাপে কৃষ্ণ দ্বৈপায়ন বেদব্যাসে ৰচনা কৰা এই শব্দময়ী ভাগৱত শাস্ত্ৰ বৈষ্ণৱ ভক্ত সমাজৰ কাৰণে সত্ৰ-নামঘৰৰ গুৰু আসনত প্ৰতিষ্ঠা কৰি থৈ গৈছে। শংকৰ গুৰু জনাৰ নৱ-বৈষ্ণৱ তথা একশৰণ নাম ধৰ্মত জড় উপাসনা নাই; 'ভাগৱত' শাস্ত্ৰই হৈছে সাক্ষাৎ প্ৰভু ভগৱন্ত শ্ৰীকৃষ্ণ চৈতন্য মূৰ্ত্তি। মহাপুৰুষ গুৰুজনাই এই ভাগৱত শাস্ত্ৰখনি বৈকুণ্ঠৰ কল্পতৰু আৰু হৰিনাম বস্তু বুলি দৃঢ় কৰি লোৱা কাৰণেই এনে গুৰু আসন বা সিংহাসনত স্থাপন কৰিলে। ধৰ্মীয় বিশ্বাস মতে, "অক্ষৰং পৰমং ব্ৰহ্ম" অৰ্থাৎ আখৰেই পৰম ব্ৰহ্ম নতুবা শব্দকেই পৰম ব্ৰহ্ম বুলি কোৱা হয়। যেতিয়া ভগৱন্তই নিজে অক্ষৰ ব্ৰহ্ম বা শব্দ ব্ৰহ্মাত আশ্ৰয় ল'লেহি তেতিয়াই শব্দ ব্ৰহ্ম হ'ল মূৰ্ত্তিমান তথা পৰম ব্ৰহ্ম। সেয়ে এই শব্দ ব্ৰহ্ম ভাগৱত চৈতন্যমূৰ্ত্তি পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণ।

বৈকুণ্ঠৰ মহাভাগৱত শাস্ত্ৰ শ্ৰীকৃষ্ণৰ কৃপাত পদ্মকল্পত ব্ৰহ্মাদেৱে পোৱাৰ পিছত ভূমিলৈ কেনেকৈ আহিল, তাৰ বৰ্ণনাত আছে ঃ

ব্ৰহ্মা দিনা নাৰদক ইটোফল ৰহস্যক
নাৰদে ব্যাসক আনি দিলা,
নগৈল তিলোকো ভাঙ্গি ইডালে সিডালে লাগি
শুক মুখে ভূমিত পৰিলা।[১]

যি বৈকুণ্ঠৰ পৰা ভাগৱত শাস্ত্ৰ পৃথিৱীলৈ আহিল, সেই বৈকুণ্ঠৰ হুবহু চিত্ৰ যেন শংকৰ গুৰুজনেই নিজ হাতে অঙ্কন কৰি বৈকুণ্ঠৰ সমস্ত লীলা-খেলা ভকত সমাজত দেখুৱাই বিমোহিত কৰিলে।

শংকৰদেৱৰ মতে, শৰণ অৰ্থাৎ ঈশ্বৰৰ ওচৰত সম্পূৰ্ণ অৰ্পণ বা আশ্ৰয় নল'লে জীৱ কেতিয়াও শুদ্ধ হ'ব নোৱাৰে। 'গীতা' শাস্ত্ৰ অৰ্থাৎ 'শ্ৰীমদ্ভাগৱত গীতা'তো শ্ৰীকৃষ্ণৰ ওচৰত অৰ্জুনে লোৱা 'শৰণ'ৰ কথা বিশেষ ধৰণে উল্লেখ আছে। শংকৰদেৱ গুৰু জনাৰ প্ৰিয় শিষ্য মাধৱদেৱেও 'নাম ঘোষা'ত লিখিছে ঃ-

"তুমি হৰি কৃপাময় বাহিৰত গুৰুৰূপে
অনুগ্ৰহ কৰি আছা মোক।।"

ইহকাল-পৰকালত প্ৰকৃত শান্তি লাভ কৰিবলৈ হ'লে গুৰুত শৰণ ল'বয়েই লাগিব। শৰণ অবিহনে জীৱন বৃথা। এই ক্ষেত্ৰত প্ৰথম শৰণ হয় গুৰুত। অৰ্থাৎ অজ্ঞান দূৰ কৰোঁতা জনেই গুৰু বুলি

কোৱা হৈছে। সেয়ে সুদৃঢ় বিশ্বাসে গুৰুৱে কোৱা বাক্যসমূহ পালনীয়। দ্বিতীয় শৰণ হৈছে দেৱত অৰ্থাৎ নিৰ্গুণ ব্ৰহ্মৰ গুণময় ৰূপ শ্ৰীকৃষ্ণৰ চৰণত শৰণ। সেয়ে 'নাম ঘোষা'ত মাধৱদেৱে লিখিছে ঃ

হে কৃষ্ণ স্বামী    তযু পাৱে আমি
কেৱল শৰণ চাও।
কৰা অনুগ্ৰহ    মায়াৰ নিগ্ৰহ
তেবেসে প্ৰভু এৰাও।।

আকৌ

হে যদুপতি    মই মূঢ়মতি
নেজানো সেৱা তোমাৰ;
কেৱলে তোমাৰ    চৰণ পঙ্কজে
শৰণ পশিলো সাৰ।।

এনে ভাৱত গুৰুৰ ওচৰত শৰণ লোৱা হৈছিল।

তৃতীয় শৰণ হৈছে- হৰি নামত অৰ্থাৎ নাম মন্ত্ৰ যোগেদি গুণময় কৃষ্ণ দেৱত শৰণ লোৱাই হ'ল নামত শৰণ। হৰি সন্তোষৰ অৰ্থে হৰি গুণনামৰ তুল্য দ্বিতীয় বস্তু নাই। সেয়ে এনে হৰিনামৰ আশ্ৰয় অবিহনে জীৱন বৃথা বুলি শংকৰ গুৰু জনাই তেৰাৰ শিষ্য-প্ৰশিষ্যসকলৰ ওচৰত তথা বৈষ্ণৱ ভকতীয়া সমাজত বুজাই থৈ গৈছে।

চতুৰ্থ শৰণ হৈছে - হৰি ভকতত। শংকৰ গুৰু জনাই 'গুণ মালা'ত লিখিছে ঃ

"ভকতেসে ধ্যান ভকতেসে প্ৰাণ।
ভকত সমান নাহি নাহি আন।।

গীতা-ভাগৱত শাস্ত্ৰতো পোৱা যায় ঃ

"কৃষ্ণক পাইবাৰ জানা ভকতেসে সাৰ।"

যিহেতু 'শৰণ'ৰ লগে লগে সদাচাৰ অৰ্থাৎ আচাৰ-ৰীতি, নিত্য-নৈমিত্তিক ক্ৰিয়া-কৰ্মবোৰ পালনীয় গতিকে তাৰেই আলচ কৰা হ'ব।

**বিষয়বস্তু ঃ বৈষ্ণৱ ধৰ্মীয় নিত্য-নৈমিত্তিক কৰ্ম আৰু আচাৰ-ৰীতি -**

কোনো ধৰ্ম বা গুহ্য কথাৰ প্ৰামাণিকতা স্বৰূপে তাৰ পৰম্পৰা দেখুওৱা ৰীতি অতি প্ৰাচীন কালৰে পৰা ভাৰত বৰ্ত্তত আছে। অসমত গুৰু শ্ৰীমন্ত শংকৰদেৱ বিৰচিত 'কীৰ্তন ঘোষা' আৰু শ্ৰীমাধৱদেৱ বিৰচিত 'নামঘোষা' বৈষ্ণৱ ধৰ্মীয় সম্প্ৰদায়ৰ মূল ধৰ্ম গ্ৰন্থ। নিত্য-প্ৰসঙ্গ, পালনাম, বৰসবাহ, মহানাম আদি এই শাস্ত্ৰৰ সহায়েৰে সমাপন কৰা হয়। এনেকি বৈষ্ণৱ ভকতসকলে শংকৰ গুৰুজনাৰ 'গুণমালা' পুথিখন থাপনাত ৰাখি শ্ৰীশংকৰ গুৰু হিচাপে সেৱা কৰি অহাও পৰিলক্ষিত হয়। শংকৰ গুৰুজনাই ধৰ্ম চৰ্চাৰ উদ্দেশ্যে বটদ্ৰৱাত কীৰ্তন ঘৰ আৰু চাৰি হাটী বহা সজাই হৰি-কীৰ্তন ধ্বনিৰে খলকনি তুলিছিল। এই সময়ত ৰাধিকা নামৰ মহিলা এগৰাকী আৰু কেইজনমান কৈৱৰ্ত্তলোকে শংকৰ গুৰুজনাৰ সঙ্গ লাভ কৰিছিল। গুৰুজনাই দৌল নিৰ্মাণ কৰি প্ৰজাসমূহৰ আনন্দ বঢ়াইছিল আৰু হৰি কীৰ্তনৰ বলেৰে আকাশী গঙ্গা আনি বটদ্ৰৱা থানৰ পানীৰ অভাৱ দূৰ কৰিছিল। গুৰুজনাৰ এনে হৰি কীৰ্তন মহিমা বিশ্বাস কৰি আজিও ভকত সমাজত অপায়-অমঙ্গল দূৰ কৰাৰ উদ্দেশ্যে গাঁওসমূহত বাৰ্ষিক সেৱা হিচাপে মহানাম আৰু অঞ্চল বিশেষে পালনাম অনুষ্ঠিত কৰি অহা দেখা যায়। ইয়াৰোপৰি কোনো গৃহস্থৰ ঘৰত বাৰ্ষিক সেৱা হিচাপে নাম-প্ৰসঙ্গ, ভাগৱত পাঠ আদি আয়োজিত হৈ আহিছে।

ৰামচৰণ ঠাকুৰৰ মতে, টেম্বুৱনীত থিতাপি লোৱা ভূঞাসকলে খোৱাপানীৰ অভাৱত অতিকষ্ট ভোগ কৰিছিল। সেয়ে শংকৰ গুৰুজনাই ভক্ত বৃন্দক হৰিষ ভোজন কৰাই ঈশ্বৰ কৃষ্ণৰ আৰাধনা কৰিবলৈ পৰামৰ্শ দিছিল। ভক্তই হৰিষান্ন কৰি হৰি কীৰ্তন কৰিলে। গুৰুজনাই ভগৱন্তৰ ধ্যান কৰি যথাস্থানত ধেনুভিৰীয়াকৈ ভৰিৰে চিনা দিলে; পিছত আকাশৰ পৰা গিৰিসহি আহি পানী পৰিল।[৩]

পানীৰ অভাৱ দূৰ কৰাৰ বাবে যি নাম-কীৰ্তন ভকতসকলে কৰিছিল, সম্ভৱত সেৱা প্ৰথম পালনাম আছিল।[৩] ভূষণ দ্বিজৰ মতে, ৰাম ৰায়ে শংকৰ গুৰুজনাক নমস্কাৰ কৰি এটি সেৱা গৃহ নিৰ্মাণ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল আৰু টেম্বুৱানীত নিৰ্মাণ কৰা কীৰ্তন ঘৰৰ উদ্যোক্তা এই ৰাম ৰায়ে আছিল। আকৌ, চক্ৰপাণি বৈৰাগীৰ মতে, টেম্বুৱানীলৈ অহাৰ পিছত ভকতসকলে হৰিনাম গুণ গাই ডেৰমাহ সময় আনন্দেৰে অতিবাহিত কৰিছিল।[৩] অন্যহাতে শংকৰ গুৰুজনাই পত্নী সূৰ্য্যৱতী আইৰ বিয়োগৰ আগতে পিতৃৰ সৰিয়হ তলিত সামূহিক প্ৰাৰ্থনা আৰু ধৰ্মীয় আলোচনা কৰিবৰ কাৰণে এটি ঘৰ সাজি তাৰ থাপনাত 'গোপী-উদ্ধৱ সংবাদ' পুথিখন থাপিছিল। সেই ঘৰটিয়েই অসমৰ প্ৰথম কীৰ্তন ঘৰ বুলি জনা যায়।[৩]

যাহওঁক অসমৰ ধৰ্মীয় জীৱনত জাগৰণ তোলা নৱ-বৈষ্ণৱ ধৰ্মই এক সাহিত্যিক-সাংস্কৃতিক জাগৰণো সৃষ্টি কৰি আনন্দৰ অমৃত সাগৰৰ সন্ধান দিছিল। শংকৰ দেৱৰ সমগ্ৰ জীৱনেই আছিল ধৰ্মীয় আদৰ্শ প্ৰচাৰৰ বাবে উৎসগীকৃত। সেয়ে কাব্য, নাট, গীত, বাদ্য নৃত্য, নাম-প্ৰসঙ্গ, চিত্ৰ আদি সকলোতে ঈশ্বৰ শ্ৰীকৃষ্ণৰ মহিমা প্ৰচাৰ কৰিবলৈ যোৱা দেখিবলৈ পোৱা যায়। শংকৰ গুৰুজনাৰ 'নাম-ধৰ্ম' বস্তুটি ভক্তসকলে নিত্য চৈধ্য প্ৰসঙ্গ আৰু নৈমিত্তিক বিবিধ 'প্ৰসঙ্গ'ৰ যোগেদি ব্যক্তিগতভাৱে আৰু সমজুৱাকৈয়ো পালন কৰি আহিছে।

পুৱাৰ প্ৰসঙ্গ ঃ

সূৰ্যোদয়ৰ আগে আগে সবৈষ্ণৱ সত্ৰাধিকাৰ দৈনন্দিন গাত্ৰোত্থান কৰা অভ্যাস। প্ৰাক গাত্ৰোত্থানতে "ব্ৰহ্মা আদি কৰি জীৱ যত" – এই ঘোষা সম্পূৰ্ণ উচ্চাৰণ কৰি ভকতসকলে শয়ন কক্ষ ত্যাগ কৰিব লাগে।

আকৌ, পুৱা আৰু সন্ধ্যা দুয়ো বেলাতে দবা বজাই ভক্তিভাৱ জগাই তোলা নিয়ম। দেউৰী আৰু আবাল বৃদ্ধ ভক্তই বাহ্য শুদ্ধিৰ পিছত কীৰ্তন ঘৰ, পদশিলা (গুৰুগৃহ), আতাৰ গৃহ সেৱা-সংকাৰ কৰি নিত্য কৰ্তব্য 'গুৰুসেৱা' কাৰ্যত ব্ৰতী হ'ব লাগে।

হৰি স্নান কৰোৱা নিয়মো সত্ৰত আছে। তাৰ পিছতহে প্ৰসঙ্গ কৰা নিয়ম। সত্ৰৰ গুৰু আসনত চামৰ ঢুলোৱা (হৰি স্নান বুলি বিশ্বাস) ৰ পিছত বন্তি প্ৰজ্বলন কৰি নাম লগোৱাই প্ৰাতঃ কালত ৰাগ দি পোৱাৰ গীত গোৱাৰ নিয়ম। অৱশ্যে এনে সময়ত খোল-তাল সঙ্গত কৰা নহয়। হাতত তাল ৰাখি গীত গোৱা হয়। পুৱাৰ গীত গাই গাই যেন ভগৱন্তৰ নিদ্ৰা ভঙ্গ কৰা হয়।

পুৱাৰ বৰগীতত বিশেষকৈ গোৱা হয় ঃ

অহিৰ ৰাগত — উঠ উঠ বাপু চান্দ বদন,
শ্যাম ৰাগত --- তেজৰে কমলাপতি,
পৰভাতে সুমৰো গোবিন্দ হৃষিকেশ আদি।

এনেধৰণৰ বৰগীত সূৰ্যোদয়ৰ আগতে গোৱা নিয়ম। এনে সময়ত বন্তি প্ৰচলন কৰা নহয়।

নাম-প্ৰসঙ্গ কৰাৰ আগতে বন্তি জ্বলোৱা নিয়ম। ভটিমা আৰু উপদেশ বন্তি জ্বলোৱাৰ পিছতহে গোৱা হয়। অন্যহাতে, গন্ধ-চন্দনাদি অৰ্পণ কৰিহে কৃষ্ণ ডাকিব পাৰি। গুৰু আসন বা সিংহাসনৰ কাষতে উত্তৰফালে বন্তিৰ গছা ৰাখি দক্ষিণ মুৱাকৈ বন্তি আগবঢ়োৱা নিয়ম। সিংহাসনত শব্দব্ৰহ্ম ৰূপ 'শ্ৰীমদ্ভাগৱত' গ্ৰন্থ ৰখোৱা হয়। শ্ৰীকৃষ্ণ চৈতন্য বিগ্ৰহ হৈছে এই ভাগৱত শাস্ত্ৰ।

সিংহাসনত ভগৱান কৃষ্ণ অধিষ্ঠিত থকাৰ পাছত তেৰাৰ প্ৰতিনিধি বা শংকৰ গুৰু একৰূপে সত্ৰাধিকাৰৰ গাদীত বিৰাজ কৰে উত্তৰ দিশলৈ মুখ কৰি। এয়া হৈছে ভকতীয়া বিশ্বাস। প্ৰভু ভগৱন্তলৈ উদ্দেশ্য কৰি দক্ষিণ মুৱাকৈ শাস্ত্ৰৰ গুৰু প্ৰসন্নাৰ্থে বন্তি দিয়া হয়। অন্য এটি শাস্ত্ৰ বিধান মতে, শুকদেৱে পৰীক্ষিত ৰজাক ভাগৱত শাস্ত্ৰ ব্যাখ্যা কৰোতে মুনিদেৱে উত্তৰ মুৱাকৈ আৰু ৰজা পৰীক্ষিত পূব মুৱাকৈ বহি ভাগৱত শ্ৰৱণ কীৰ্তন কৰিছিল বুলি এনে নিয়ম ভকত সমাজে ৰক্ষা কৰি আহিছে। সত্ৰত ডেকা সত্ৰাধিকাৰ, ভাগৱতী, মুখ্য বুঢ়া ভকতসকল

উত্তৰ মুখ কৰি বহা আদৰ্শতে নিশ্চয় আজিও ভকত সমাজত এনে ৰীতি অব্যাহত আছে। এই সকলৰ লগতে দেউৰী, পাঠক, নাম লগোৱা আদি ভকতসকলে চোলা পিন্ধা নিষেধ। একমাত তিনি বস্ত্ৰ ধুতি, চেলেং, গামোছা আদিহে পৰিধান কৰা নিয়ম। তিনিখনীয়া বস্ত্ৰই তিনিগুণ অতিক্ৰম কৰি নিৰ্গুণ হোৱাকে সূচায়। দেউৰীসকলে প্ৰসাদ বিতৰণ শেষ নকৰালৈকে মুখত কাপোৰ বান্ধি ৰখা নিয়ম। বগা বস্ত্ৰ সকলো ভকতে পৰিধান কৰা নিয়ম। বিবিধ ৰঙৰ বস্ত্ৰ কোনো ভকতে পৰিধান নকৰে।

**শৰাই পতা নিয়ম ঃ**

নাম প্ৰসঙ্গত আৰম্ভণিতে শৰাই পতা নিয়ম। শৰাই পতা ভকতজন আগদিনাৰ পৰা ব্ৰতত থাকিহে শৰাই পাতিব পাৰে। শৰাই পতাৰ বিশেষ নিয়ম আছে। প্ৰথমে শৰাই পতা ঠাই পৰিষ্কাৰ পানীৰে মচি লৈ পবিত্ৰ জল চটিয়াই দিয়া হয়। শৰাইখন স্থাপন কৰাৰ আগতে সেই ঠাইত এখন আগলতি কলপাত স্থাপন কৰিব লাগে আৰু শৰাই স্থাপন কৰোঁত মনতে ব্ৰহ্মাণ্ড বুলি ভাবি আগলতি পাতখন স্থাপন কৰা নিয়ম। শৰাই তলৰ পৰা ওপৰলৈ তিনিটা খলপাট, তম, ৰজ, সত্বভাৱ ভাবি লোৱা হয়। তিনিটা খলপাতে হাতেৰে স্পৰ্শ কৰি তেনে ভাব অনা নিয়ম। পিছত ওপৰৰ সত্বগুণৰ ওপৰত ঘূৰণীয়াকৈ কলপাত কাটি পাতখন পাৰি দি তাত বৈকুণ্ঠৰ কল্পনা কৰা হয়। কল্পিত বৈকুণ্ঠৰ মাজত চাউল এমুঠি দি নিৰ্গুণ ব্ৰহ্মৰ কথা ভাবিব লাগে। ইয়াৰ পিছত চাৰিওফালে মাহ, কল, কুঁহিয়াৰ, নাৰিকল, মিঠৈ লাড়ু, ফল-মূল আদি উপহাৰ বস্তু পবিত্ৰভাৱে স্থাপন কৰি ছয়জন ভকত, বাৰ বৈষ্ণৱ, চৈধ্য পাৰিষদৰ ভাব আনিব লাগে। শৰাই সজাই শেষ কৰি তাৰ ওপৰত ঘূৰণীয়া কৰি জালি কটা আগলতি কলপাত এখন দি শ্বেতপত্ৰ হিচাপে কল্পনা কৰা হয়। পিছত ভকত বৈষ্ণৱক বহুৱাওতে হ'ব পাৰা ভুলৰ কাৰণে শৰাইফালে মূৰ দোৱাই ক্ষমা প্ৰাৰ্থনা কৰি সেৱা কৰা হয়।

শৰাই পতা শেষ হ'লে নাম ল'বলৈ অহা ভকতসকলে পাঠ-প্ৰসঙ্গ কৰিবলৈ আগবাঢ়ে। নাম-প্ৰসঙ্গৰ শেষত পুনৰ শৰাই পতা ভকতজনে শৰাইত কল্পনা কৰা বৈকুণ্ঠ, বিষ্ণু, বৈষ্ণৱ আদি সকলোকে মনেৰে নিজ হৃদয়ত স্থাপন কৰে। পিছত বিষ্ণু-বৈষ্ণৱৰ অৱশেষ বুলি কল্পনা কৰি শৰাইত আগবঢ়োৱা নৈবেদ্য অন্যান্য মাহ-প্ৰসাদ-সাজ বস্তুৰ লগত মিহলাই ভকতসকলক বিলাই দিয়া নিয়ম।

**ভাগৱত সেৱা ঃ**

বৈষ্ণৱ-ভকতে যেতিয়া মণিকূট-নামঘৰত প্ৰৱেশ কৰে প্ৰথমেই সেৱা জনোৱা নিয়ম। তেনেদৰে ভাগৱত পঢ়িবলৈ আসনত বহাৰ আগতে অৱনত মস্তকে ঘোষাপদ গোৱা নিয়ম। সেৱকীয়ে মহাভাগ্য বলতহে যে ভাগৱত সেৱা কৰাৰ সুবিধা পাইছে এনে ভাব সেৱকীয়ে ভাৱি লয়। বৈকুণ্ঠৰ পতি ভগৱন্তই ভাগৱততে বিৰাজ কৰি থকা বুলি দৃঢ়মনা হয়। সেয়ে প্ৰভু ভগৱন্তই শত অপৰাধ ক্ষমা দি সেৱকীক অভয় চৰণত স্থান দিয়াৰ কামনা কৰে।

**গুৰুত সেৱা ঃ**

নাম-প্ৰসঙ্গ বা ভাগৱত পাঠ আদি কোনো সেৱকীয়ে যেতিয়া নিজ গৃহত অনুষ্ঠিত কৰে, তেওঁলোকে গুৰু বা গুৰু স্থানীয় সকলৰ প্ৰতিও সেৱা জনোৱা নিয়ম। এনে নিয়ম পৰম্পৰাগতভাৱে শংকৰ গুৰু জনাৰ সময়ৰ পৰা আজিকোপতি প্ৰচলন হৈ আহিছে।

**ভকত সেৱা ঃ**

ভকতৰ সঙ্গ মহাভাগ্য বলতহে পোৱা যায়। সেয়ে সেৱকীয়ে গৃহতে পোৱাত নথৈ সুখীহৈ ভকতসকলক সেৱা জনায়।

**নামত সেৱা ঃ**

কোনো ধৰ্মীয় স্থানত নাম-প্ৰসঙ্গ, শাস্ত্ৰ পাঠ হৈ থাকিলে তেনে স্থানত সোমোৱাৰ লগে লগে ভকতে সেৱা জনাই। এনে নামত সাষ্টাঙ্গে সেৱা জনোৱা হয়।





এনে ধৰণৰ বিভিন্ন সেৱা ভাগৱত- গুৰু- ভকত-নামত সেৱকীয় সেৱা জনাই অপায়-অমঙ্গলৰ পৰা ৰক্ষা পোৱা কামনা কৰি অহা পৰিলক্ষিত হয়। সেয়ে সেৱকীৰ গৃহত পতা বৰসবাহ, ভাগৱত পাঠৰ সামৰণিত ভকতৰ ফালৰ পৰা মঙ্গল কামনাৰে আশীৰ্বাদ দিয়াৰো নিয়ম ভকত সমাজত প্ৰচলিত আছে। এনে দৃঢ় বিশ্বাস ভকত সমাজত মন কৰিবলগীয়া। সেৱকীয়ে ভকতৰ ওচৰত সেৱা লওঁতে গোৱা ঘোষা এটি এনেধৰণ ঃ

বলি নিগদতি যদুপতি ৰাম ৰাম ৰাম ৰাম
কিনো কৃপামোক কৰিলাহা নাৰায়ণ।
দেৱেৰো দুৰ্লভ অতিশয় ৰাম ৰাম ৰাম ৰাম
গৃহতে থাকিয়া দেখিলো তযু চৰণ।।

ভকতসকলৰ ফালৰ পৰা আশীৰ্বাদ দিওঁতেও আশীৰ্বাদৰ লগত নাম ঘোষা গোৱা নিয়ম। সেয়ে ভকতৰ ফালৰ পৰা গোৱা হয় ঃ-

নমে নমো নিত্য নিৰঞ্জন নাৰায়ণ শিৱ সনাতন
অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা।
পৰম পুৰুষ ভগৱন্ত নাহি পূৰ্ব্বাপৰ আদি অন্ত
তুমিসে চৈতন্য সমস্ত ভাৱ ভাৱন্তা।

কথাৰে ভকতে কয় ঃ হে প্ৰভুঙ্গ তুমি নিত্য নিৰঞ্জন, নাৰায়ণ, অনাদি, অনন্ত; পৰম পুৰুষ, ভগৱন্ত ৰূপে চৈতন্য শক্তিৰে জগতক চলাওঁতা। তথাপি শাস্ত্ৰে কৈছে — তোমাত কৰিয়া 'তযু গুণ নাম চাৰ'। সেই উপলক্ষে গুৰু শংকৰ-মাধৱে নামকে শ্ৰেষ্ঠ কৰি মহা মহন্ত, থান-সত্ৰ আৰু বৈষ্ণৱসকলৰ প্ৰতি নাম ধৰ্মৰ প্ৰদীপ জ্বলাই দি জগতক উদ্ধাৰ কৰিছে। আমি মহা-পাতকীয়ে কলিৰ নাম ৰূপী পৰম ধৰ্মক দৃঢ় ভাৱে ধৰিব পৰা নাই। ইয়াতে শুদ্ধে-অশুদ্ধে আভাস মাত্ৰ চিন দৰ্শাই সমূহ ভক্ত-বৈষ্ণৱসকলে ভগৱন্তৰ সন্তোষাৰ্থে যি হৰি নাম কীৰ্তন কৰিছে নাম ৰূপী জনাৰ্দ্দনে ইয়াতে সন্তুষ্ট হৈ নাম কেযাবিকে মোৰ বুলি গ্ৰহণ কৰিব লাগে। কেতিয়াবা ইয়াৰ লগতে সংযোগ কৰি দিয়া হয় - নামৰূপী জনাৰ্দ্দনে নামত তুষ্ট হৈ চৰণে চপাই ধৰি নাম-গুৰু-দেৱ-ভকত চাৰিও মূৰ্ত্তি প্ৰসন্ন হৈ সেৱকীৰ প্ৰতি মনৰ অভিলাষ পূৰ্ণ কৰি কৃপা কৰিব লাগে। আশীৰ্বাদৰ আৰম্ভণিতো 'অ' হৰি অ' ৰাম .....' ধ্বনি আৰু শেষৰতো 'অ' হৰি অ' ৰাম' ধ্বনি দিয়া নিয়ম প্ৰচলিত হৈ আহিছে। ইয়াৰোপৰি ভিন্ন ধৰণৰ আশীৰ্বাদত ভকতসকলে গ্ৰহ দোষ, কাল দোষৰ পৰা পৰিত্ৰাণ পাবলৈ আশীৰ্বাদ সেৱকীৰ প্ৰতি উল্লেখ কৰে। তাৰোপৰি গুৱাপাণ, শৰাই অৰ্চ্চণ বন্দনৰ কথাও আশীৰ্বাত উল্লেখ কৰা দেখা যায়। অন্য এক মন কৰিবলগীয়া কথা হ'ল আশীৰ্বাদৰ শেষত ভকতেই ভকতৰ প্ৰতি নিজ গুণে প্ৰসন্ন হৈ সেৱকীসকলৰ সৰ্ব্ব অপৰাধ ভঞ্জন কৰি তুষ্ট হোৱাৰ কথাও উল্লেখ কৰা হয়। এনেধৰণৰ ভিন্ন আশীৰ্বাদ ভকতসকলে সেৱকীক দি আহিছে।

সুন্দৰী দিয়াত থাকোতে মাধৱদেৱে নাম কীৰ্তনৰ চৈধ্য গোটা প্ৰসঙ্গ স্থিৰ কৰিছিল বুলি জনা যায়। গুৰুজনাৰ 'গুণমালা' আৰু 'লীলামালা' ব্ৰহ্ম মুহূৰ্ততে ভকতৰ মাজত গোৱা প্ৰথাও আছিল।

**পাল নাম ঃ**

শংকৰ গুৰুজনে কৈছে ঃ'
শংকৰে বোলয় আমি গাইলো পালনাম।
এহি হেতু কৃষ্ণে পূৰ্ণ কৈল মনস্কাম।।

আৰো,
নিষ্কামে কৰিবে সবে নাম সংকীৰ্তন।
সকামত পালনাম কৰিব অৰ্চন।।
ব্ৰতে থাকি দুই থগী দুই বস্তি দিব।
ছয় কুৰি ছয়জন ভকত বহিব।।
একযোৰ পট্ট বস্ত্ৰ টকা একশত।
এক তোলা স্বৰ্ণ দিবে নাম অৰ্চনত।।
গুণ গায়া পূৰ্ণমতে প্ৰসঙ্গ কৰিব।
পৰে বৈকুণ্ঠৰ চাৰি ঘোষাক গাইব।।
আদ্যোপান্ত পঢ়িবেক কীৰ্তন শাস্ত্ৰক।
অৰ্চনাৰ অৰ্দ্ধভাগ দিব পাঠকক।।'

তেনেদৰে,

সমূহক সিধা দিয়া অন্ন ভুঞ্জাইব।
শক্তি অনুসাৰে দান দক্ষিণা কৰিব।।

বৰ্তমান ভকতীয়া সমাজৰ মাজত প্ৰচলিত নাম-প্ৰসঙ্গ, অৰ্চন, ব্ৰত, বন্তি প্ৰজ্বলন, ঘোষা গোৱা ৰীতি, কীৰ্তন পাঠ, সিধা, দান-দক্ষিণা আদি যে শংকৰ গুৰুজনাৰ শিষ্য-প্ৰশিষ্যৰ মাজত চলি অহা প্ৰভাৱৰে ফল স্বীকাৰ কৰিব পাৰি। এনেকি মহানাম, বাৰ্ষিক সেৱাৰ ওপৰতো যে পালনামৰ প্ৰভাৱ সম্পূৰ্ণ আছে উল্লেখ কৰিব পাৰি।

**প্ৰসঙ্গ প্ৰণালী ঃ**

শংকৰ গুৰুজনাৰ নাতি পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভূজ ঠাকুৰে কেনেকৈ নাম-প্ৰসঙ্গৰ আৰ্হি দেখুৱালে 'সন্তাৱলী' গ্ৰন্থৰ পৰা উল্লেখ কৰা হ'ল।*

ভাতৃসহ একদিনা কৰে আলোচন।
নাম প্ৰসঙ্গৰ আৰ্হি কৰোহে বন্দন।।
শঙ্কৰৰ দিনে প্ৰসঙ্গৰ আৰ্হি নাই।
দিহা-কীৰ্তনক গাই চাপৰি বজাই।।
কেহোজনে সবহুৰূপে নাম ধৰে।
কীৰ্তন একোটি দিয়া নাম সামৰে।।
যেবে পৰে মাধৱদেৱে ঘোষা বিৰচিলা।
ঘোষা কীৰ্তনকো গাইবাক লাগিলা।।
কেহোজনে ঘোষা কেহোবা কীৰ্তন।
অভিৰুচি মতে গায় কে কৰে বাৰণ।।
পাচে মাধৱদেৱে বাৰ মহন্ত পাতিলা।
গাঁৱে গাঁৱে বাৰজনে প্ৰসঙ্গ বান্ধিলা।।
পদ্মআতা বংশীবিপ্ৰ ভবানী পুৰীয়া।
পৃথকে পৃথকে আছে আচনি কৰিয়া।।
ৰাম গুৰু হৰি গুৰু আৰু দামোদৰ।
এই তিনিজন শঙ্কৰৰ আজ্ঞাপৰ।।
হীৰা নাম পালনাম প্ৰসঙ্গীয়া নাম।
যিৰূপে গাইবে লাগে আৰু দিহানাম।।

ওপৰৰ পদ কেইফাঁকিৰ দ্বাৰা নাম-প্ৰসঙ্গৰ বিষয়ে কিছু আভাস পাব পাৰি। অৱশ্যে শংকৰ দেৱৰ মতৰ লগত যে ৰাম গুৰু, হৰি গুৰু আৰু দামোদৰ দেৱৰ মতৰ মিল নাছিল সেই কথাৰো ইঙ্গিত পোৱা গৈছে। পুৱাৰ প্ৰসঙ্গত বৰগীত, ভটিমা, উপদেশ, ঘোষা-কীৰ্তন, পাঠ; বিয়লী আগ পাঠ, শেষ, পাঠ, ঘোষা আৰু ৰাতি গুৰু ভটিমা, বৰগীত, ঘোষা, কীৰ্তন পাঠ আদি থাকে। আগপাঠত বিশেষকৈ থাকে - জন্ম ৰহস্য, ভাগৱত, ৰত্নাৱলী, কীৰ্তন ঘোষা আৰু শেহপাঠত থাকে - নাম ঘোষা, ভক্তিৰত্নাৱলী আৰু গুণমালা আদি। প্ৰাতঃ প্ৰসঙ্গক শ্ৰেষ্ঠ বুলি কোৱা হৈছে।

মধ্যাহ্ন বিয়ালা সন্ধ্যা তিনিও প্ৰসঙ্গ।
তিনিও কৰিয়া শ্ৰেষ্ঠ প্ৰাতস প্ৰসঙ্গ।।

'কীৰ্তন' ক'ত কেইটা কেনেদৰে গোৱা হ'ব তাৰো উল্লেখ পোৱা গৈছে এনেধৰণে ঃ

সকামী সেৱাত গাইব কীৰ্তন দুগুটি।
নিজ গুৰু তিৰোভাৱে পৰ্ব্বে তিনি গুটি।।

গীত-ৰাগৰ সময় সম্পৰ্কে উল্লেখ আছে এনেধৰণে ঃ

স্যাম কৌ ললিত অহিৰ কল্যাণ।
ইসব গীতক গাইব প্ৰাতস মধ্যাহ্ন।।
ধনশ্ৰী, মলাৰ গৌৰী, বসন্ত কেদাৰ।
মাহুৰ বৰাৰী আশোৱাৰী বেলোৱাৰ।।
ভাটিয়ালী কামোদ আৰু শ্ৰী পয়াৰ।
সুহাই সিন্ধুৰা আৰু সাৰেং শ্ৰীগান্ধাৰ।।
ইসব প্ৰমুখ্যে ৰাগ আছে যত যত।
সন্ধ্যা বিয়লি প্ৰসঙ্গে গাইব সমস্ত।।

ইয়াৰোপৰি ঘোষা, কীৰ্তন, দশম পঢ়াৰ সম্পৰ্কে উল্লেখ পোৱা যায় এনেধৰণে ঃ

নামছন্দ ঘোষা পুৱা মধ্যাহ্ন কালত।
গাইবেক ঘোষা ছন্দ বিয়লি ৰাত্ৰিত।।
প্ৰাতস মধ্যাহ্নে গাইব দশম কীৰ্তন।
বিয়লা ৰাত্ৰিত গাইব আন শাস্ত্ৰগণ।।

এনেধৰণে গুৰু শংকৰ দেৱৰ নাতি দুই ঠাকুৰৰ পৰা প্ৰসঙ্গ সম্পৰ্কে জানিব পাৰি। আকৌ,





এটি উপদেশ গাই লৈহে নাম সামৰা নিয়ম।

বৰ্তমানে ভকতীয়া সমাজত প্ৰচলিত নাম-প্ৰসঙ্গৰ ক্ৰম এনেধৰণৰ ঃ (ক) সেৱা (খ) গুৰুমন্ত্ৰ (গ) বৰগীত (ঘ) ঘোষা (ঙ) কীৰ্তন (চ) দিহা নাম (ছ) ঘোষা (জ) মাৰ্জ্জনা (ঝ) পুনৰ ঘোষাৰে নাম সামৰণি (ঞ) আশীৰ্বাদ।

**নামতী ঃ**

নাম প্ৰসঙ্গত নাম লগোৱাই কৃষ্ণক আহ্বান কৰি আনি বহুৱাই; তেওঁক বিনম্ৰভাৱে স্তুতি গীত (প্ৰসঙ্গাদি) কৰা নিয়ম। উদাহৰণস্বৰূপে --

কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।।
কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম।
কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম।।
কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম ৰাম
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ।

'কৃষ্ণ' বুলি নাম লগোৱাই তিনি চাপৰ তাল মৰাৰ পিছতহে নাম ঘোষাৰ অন্তৰ্গত ওঠৰ কুলুপ ঘোষাৰ যিকোনো এটি চুটি ঘোষা গোৱা নিয়ম। প্ৰতি ফাঁকিত চাৰি বাৰকৈ গোৱা নিয়ম। উদাহৰণস্বৰূপে —

ক) গোবিন্দ গোবিন্দ —–
খ) যাদৱ যদুনন্দন ——
গ) গোপাল গোবিন্দ যদুনন্দন ----- ইত্যাদি।

ইয়াৰ পিছত কীৰ্তন পুথিৰ পৰা দুটা কীৰ্তন গোৱা নিয়ম। নাম প্ৰসঙ্গ শেষ হ'লে নাম লগোৱাই উপদেশ গাই ঃ-

শুনিয়োক সভাসদ ভক্তি ৰত্নাৱলী পদ
ভকতৰ ইসে মহাধন।
জানিবা সমস্ত তত্ত্ব গুছিব সংশয় যত
পৰম নিৰ্মল হৈব মন।।

আকৌ,

ভকতিতে পৰে আৰ নাহিকে শাস্ত্ৰৰ সাৰ
জানিসবে এৰা আন কাম।
গুছিবে সংসাৰ দুখ লভিবা পৰম সুখ
নিৰন্তৰে বোলা ৰাম ৰাম।।

**পাঠক ঃ**

পাঠক গৰাকী নিৰ্দিষ্ট আসনৰ গৰাকী হ'ব লাগে। পাঠকৰ ধুতি-চেলেং-গামোচা বগা- পৰিষ্কাৰ হ'ব লাগে। পাঠকৰ থগাত য'ত পুথি ৰখোৱা হয় তাত এখন বগা বা হালধীয়া কাপোৰ বন্ধা থাকে। জলপূৰ্ণ কাঁহৰ লোটাৰে হাত-মুখত পানীৰে পৰিত্ৰভাৱে ভকতক সেৱা কৰি গুৰু মন্ত্ৰ গোৱাৰ পিছহে পাঠ আৰম্ভ কৰা নিয়ম। ইয়াৰ আগতে দেউৰীয়ে পুথিখন অৰ্চন-বন্দন কৰিব লাগে। ভকত-বৈষ্ণৱ, গুৰুসকলে তথা নামতী (নামাচাৰ্য) পাঠক, দেউৰী আদি সকলোৱে নিত্য-কৰ্ম, আচাৰ-নীতি, বিভিন্ন মন্ত্ৰ আদি পালনীয়। সেইবোৰৰ ভিতৰত — তিলক ধাৰণ, তিলক ধাৰণ মন্ত্ৰ, স্নানৰ নিয়ম, আচমন বিধি, সন্ধ্যা বিধি, গায়ত্ৰী জপ, সূৰ্য্য প্ৰণাম, ব্ৰহ্ম প্ৰণাণ, জল শুদ্ধি, পুষ্প শুদ্ধি, আসন শুদ্ধি, তুলসী চয়ন মন্ত্ৰ, তুলসী স্নান মন্ত্ৰ, দীক্ষা-শিক্ষা মন্ত্ৰ, ধ্বনি, গুৰুসেৱা, শৌচ কৰা মন্ত্ৰ, প্ৰচাৰ কৰা মন্ত্ৰ, মাটি-পানী লোৱা মন্ত্ৰ, হাত-পাৰ ধোৱা মন্ত্ৰ, গা-শান্তি কৰা নিয়ম, আসনৰ নিয়ম-মন্ত্ৰ, নামঘৰ প্ৰৱেশ-প্ৰস্থানৰ নিয়ম, বন্তি জ্বলোৱা মন্ত্ৰ, গুৰু পূজা, ধূপ-ধূণা ঘূৰোৱা নিয়ম, শৰাই-পতা মন্ত্ৰ- নিয়ম, প্ৰসাদ-নৈবেদ্য আগবঢ়োৱা নিয়ম, গুৰু ধ্যান, চাউল ধোৱা নিয়ম ইত্যাদি।

এইসকলোবোৰৰ বিষয়ে বহল বিৱৰণ দিলে গৱেষণা পত্ৰিকাৰ পৰিসৰ বহুত বাঢ়িব, সেয়ে আলচ কৰা নহ'ল। সকাম অনুসৰি গৃহস্থৰ ঘৰত 'কীৰ্তন' বেলেগে বেলেগে দিয়া নিয়ম। যেনে জন্ম সম্পৰ্কীয় হ'লে শিশুলীলা, বিবাহৰ ক্ষেত্ৰত সামন্ত হৰণ, মৃত্যুত বৈকুণ্ঠ প্ৰয়াণ, মণিকূট স্থাপনত উৰেষা বৰ্ণনা আদি কীৰ্তন পুথিৰ পৰা পাঠ আৰু প্ৰসঙ্গ কৰা হয়।

আশীৰ্বাদ ক্ষেত্ৰতো প্ৰাৰ্থক্য আছে। যেনে চাউল খোৱাত দিয়া আশীৰ্বাদ, গুৰুৰ তিথিৰ

আশীৰ্বাদ, ৰাজহুৱা বৰ সবাহৰ আশীৰ্বাদ, বিলনীয়াৰ আশীৰ্বাদ আদি ভিন্ন ধৰণে ভকত সমাজত প্ৰচলিত হৈ আহিছে। গুৰুক শিষ্যই দণ্ডৱত দিয়া নিয়ম ঃ-

নৌকাহন্তে মাধৱদেৱ উঠিয়া তৱত।
দণ্ডৱতে পৰিলা শঙ্কৰ চৰণত।।

এয়া গুৰু-শিষ্যৰ প্ৰকৃত সম্বন্ধ। তেনেদৰে প্ৰত্যেকজন ভকত-বৈষ্ণৱৰ মাজত পৰস্পৰে পৰস্পৰক ঈশ্বৰ জ্ঞান কৰি আত্মাক আত্মাৰে সেৱা জনাই অহা নিয়ম মনকৰিবলীয়া।

**উপসংহাৰ ঃ**

অতি সাম্প্ৰতিক সমাজ জীৱনলৈ চালে দেখা যায় প্ৰযুক্তি বিদ্যা তথা আধুনিক পশ্চিমীয়া জীৱন পদ্ধতিয়ে বৈষ্ণৱ-ধৰ্মীয় আচাৰ-ৰীতিসমূহক যেন ঠেলা মাৰি দূৰলৈ পঠিয়াই আছে। সেয়ে বহু আচাৰ-ৰীতি যেন বিলুপ্তিৰ পথত। যি আচাৰ-ৰীতি, নিত্য-নৈমিৰ্ত্তিক কৰ্মৰাজি আছে সত্ৰ-নামঘৰত যেন পৰিৱৰ্তনৰ ৰূপ লৈছে। গতিকে শংকৰ গুৰুজনা বা তেওঁৰ নাতি তথা শিষ্য-প্ৰশিষ্যৰ দ্বাৰা প্ৰবৃত্তিত আচাৰ-ৰীতিসমূহ যিবোৰ পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে বিজ্ঞান সম্মতভাৱে চালি জাৰি চাই সংৰক্ষণ আৰু ব্যৱহাৰোপযোগী কৰি ৰাখিব পাৰি তাৰ কাৰণে চিন্তা-চৰ্চা কৰিব লাগিব। এনে বিষয় বস্তুৰ আদৰ-যতনে নিশ্চয় অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ভঁৰালটোক পূৰ্ণ কৰাত সহায় কৰিব।

**পাদটীকা ঃ**

১। মহীকান্ত গোস্বামী ঃ বৈষ্ণৱ ধৰ্মকৃত্য, পৃ-৩২
২। ড° সঞ্জীৱ কুমাৰ বৰকাকতী (সম্পাদনা) ঃ পূৰ্ণাঙ্গ কথা গুৰু চৰিত, পৃ-৫০
৩। প্ৰাগুক্ত গ্ৰন্থ, পৃ-৫০
৪। উক্ত গ্ৰন্থ, পৃ-৮৭
৫। উক্ত গ্ৰন্থ, পৃ-৫০
৬। ড° কেশৱানন্দ গোস্বামী (সম্পাদিত) ঃ শ্ৰীমদ্ভাগৱত, অৱতৰণিকা, পৃ-১৫
৭। বৈষ্ণৱ ধৰ্মকৃত্য, পৃ-১৪
৮। উক্ত গ্ৰন্থ, পৃ-১৪
৯। সন্তাৱলী, পৃ-২৩

**সহায়ক গ্ৰন্থ ঃ**

১। কাকতি, বাণীকান্ত ঃ পুৰণি অসমীয়া সাহিত্য, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী
২। গোস্বামী, তীৰ্থ নাথ ঃ সেৱা, প্ৰাৰ্থনা আৰু আশীৰ্বাদ, ধলৰ সত্ৰ, যোৰাহাট
৩। গোস্বামী, তীৰ্থ নাথ ঃ বৈষ্ণৱ মালা, ধলৰ সত্ৰ, যোৰহাট
৪। গোস্বামী, মহীকান্ত ঃ বৈষ্ণৱ ধৰ্ম কৃত্য, নগাঁও
৫। গোস্বামী, কেশৱানন্দ (সম্পাদিত) ঃ শ্ৰীমদ্ভাগৱত
৬। গোস্বামী, নাৰায়ণ চন্দ্ৰ দেৱ ঃ সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণ ৰেখা
৭। নেওগ, মহেশ্বৰ (সম্পাদিত) ঃ গুৰু চৰিত কথা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০১২ চন
৮। বৰ কাকতি, সঞ্জীৱ কুমাৰ ঃ পূৰ্ণাঙ্গ কথা গুৰুচৰিত, লাৱণ্য প্ৰকাশ, গুৱাহাটী, ২০১৩ চন
৯। ভূঞা, ভুবন চন্দ্ৰ ঃ ভক্তি ৰত্নমালা
১০। বায়ন, ভৱজিৎ; ঃ সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শংকৰদেৱৰ কীৰ্তন ঘোষা, পাহি প্ৰকাশ, গুৱাহাটী ২০১৪ চন
১১। ওজা, ভূপেন্দ্ৰ নাথ ঃ নাম ঘোষা ব্যাখ্যামৃত
১২। মজুমদাৰ, বিমল ঃ ভক্তি সাহিত্য, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০১৩ চন

**সংবাদ দাতা ঃ**

১। শ্ৰীভাৰত চন্দ্ৰ নাথ, বয়স - ৫৫
২। শ্ৰীসভাৰাম নাথ, বয়স - ৬৫
৩। শ্ৰীযুগল চন্দ্ৰ নাথ, বয়স - ৬৭
৪। শ্ৰীপুষ্পেন্দ্ৰ নাথ, বয়স - ৫২
৫। শ্ৰীসোমেশ্বৰ নাথ, বয়স - ৬৫





# নমশূদ্ৰ সমাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যা ঃ এটি সংক্ষিপ্ত অধ্যয়ন

শ্ৰীধন্য ৰাম ৰয়
সহকাৰী অধ্যাপক, ইতিহাস বিভাগ,
মায়ং আঞ্চলিক মহাবিদ্যালয়,

**অৱতৰণিকা ঃ**

তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যা আৰু অন্ধবিশ্বাসৰ লগতে কু-সংস্কাৰ মানৱ জাতিৰ ক্ৰমবিকাশৰ লগত ইতিহাসে চুকি নোপোৱা দিনৰ পৰাই ওতঃপ্ৰোত সমন্ধ ৰক্ষা কৰি আহিছে। এই বিশ্ব ব্ৰহ্মাণ্ডত এনে কোনো জাতি নাই, যি জাতি তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যা আৰু অন্ধবিশ্বাসৰ লগতে কু-সংস্কাৰৰ দ্বাৰা প্ৰভাৱিত হোৱা নাই। অনাদি কালৰপৰাই প্ৰত্যেকখন দেশৰ প্ৰত্যেকটো জাতি-উপজাতিৰ নিজা নিজা ধৰ্ম্ম, বিশ্বাস, সামাজিক আচাৰ, ভৌগোলিক পৰিৱেশৰ লগত খাপ খোৱাকৈ তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যা আদিৰ সৃষ্টি তথা চৰ্চা চলি আহিছে। সমাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ অচিলা লৈয়েই তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাই ঠন ধৰি উঠিব পাৰিছে। পৃথিৱীৰ প্ৰায় সকলো মানুহেই কম-বেছি পৰিমানে তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ লগতে অন্ধবিশ্বাসৰ দ্বাৰা প্ৰভাৱিত হৈ আহিছে। অৱশ্যে আধুনিক বিশ্বত বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ প্ৰতি মানুহৰ আগ্ৰহ তথা আস্থা লাহে লাহে কমি আহিব ধৰিছে। মানুহে অন্ধবিশ্বাস ও কু-সংস্কাৰৰ কৱলৰপৰাও মুক্তি লাভৰ উপায় উদ্ভাৱনৰ ন ন কৌশল আয়ত্ব কৰিবলৈ ধৰিছে। তথাপি মানৱ জাতিৰ ক্ৰমবিকাশত তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ ভূমিকা অনস্বীকাৰ্য। প্ৰত্যেক জাতিৰ তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যা তথা ভেষজ্ বিদ্যাৰ মাজতেই বহু বিজ্ঞান লুকাই আছে। নিশ্চয়কৈ আধুনিক বিজ্ঞানৰ বহু ধাৰণাৰ উৎস তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যা তথা ভেষজ্ বিদ্যাৰ পৰাই ধাৰ কৰি লোৱা হৈছে। বৰ্তমানেও প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যা তথা ভেষজ্ বিদ্যাৰ মাজত এনে কিছু তত্ব বা ৰহস্য বা বিজ্ঞান লুকাই আছে, যিবোৰৰ ৰহস্য আধুনিক বিজ্ঞানে এতিয়ালৈকে উদ্‌ঘাটন কৰিবলৈ সক্ষম হোৱা নাই।

**নমশূদ্ৰ সমাজত তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ প্ৰভাৱ ঃ** নমশূদ্ৰ সম্প্ৰদায়ৰ লোকসকলৰ আদি বাসস্থান প্ৰাচীন বংগ দেশত। বৰ্তমান এই সম্প্ৰদায়ৰ লোক বাংলাদেশ, পশ্চিম বংগ, উত্তৰ প্ৰদেশ, বিহাৰ, অসম, ত্ৰিপুৰা আৰু অন্যান্য উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰদেশসমূহত বহুলভাৱে সিচৰতি হৈ আছে। এই লোকসকলে কথিত বাংলা ভাষা কয় যদিও নিজা ঠাচ্ তেওঁলোকৰ ভাষাত বিদ্যমান আৰু পবিত্ৰ সনাতন হিন্দু ধৰ্মৰ অনুগামী। এই লোকসকল চাৰি বৰ্ণৰ শূদ্ৰ বৰ্ণৰ অন্তৰ্ভোক্ত। তেওঁলোক কাশ্যপ গোত্ৰৰ অন্তৰ্ভুক্ত। আধুনিক ভাৰতৰ সংবিধানৰ অনুসুচিত জাতিৰ অন্তৰ্ভুক্ত।

নমশূদ্ৰ সম্প্ৰদায়ৰ লোকসকল মূলত কৃষিজীৱি। গতিকে, এই সম্প্ৰদায়ৰ লোকসকল প্ৰাচীন কালৰ পৰাই আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হৈ আছিল। কৃষিয়েই যিহেতু তেওঁলোকৰ মূল জীৱিকা, সেইহেতু তেওঁলোক নগৰ অঞ্চলৰপৰা বহু দূৰত খাল-বিলৰ পাৰত কৃষি উপযোগী অঞ্চলত বসবাস কৰি আহিছে। আনুষ্ঠানিক শিক্ষা-দীক্ষা

নথকাত তেওঁলোকৰ মাজত কিছু পৰিমানে অন্ধবিশ্বাস আৰু কু-সংস্কাৰ থকাটো তেনেই স্বাভাৱিক। তেওঁলোকে বিভিন্ন ৰোগ নিবাময়ৰ বাবে তন্ত্ৰ-মন্ত্ৰৰ জৰিয়তে জৰা-ফুঁকা কৰি আহিছে; আত্মৰক্ষাৰ বাবে যাদুবিদ্যাৰ প্ৰয়োগ কৰি আহিছে; শত্ৰু দমনৰ বাবে ক'লা যাদুৰ প্ৰয়োগ কৰি আহিছে। অৱশ্যে আজিকালি এই সম্প্ৰদায়ৰ লোকসকল কিছু পৰিমানে শিক্ষিত হোৱাত এই সমাজৰপৰা তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ প্ৰভাৱ কমি আহিব ধৰিছে। তথাপি এতিয়াও অলপ-অচৰপ অ'ত ত'ত তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাৰ চৰ্চা চলি আছে। এই গৱেষণা পত্ৰত নমশূদ্ৰ সমাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা হৈছে।

**লক্ষ্য আৰু উদ্দেশ্য (Aims and Objectives) ঃ**

(ক) এই অধ্যয়নৰ জৰিয়তে নমশূদ্ৰ সমাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাৰ বিভিন্ন দিশৰ বিষয়ে পাঠক সমাজৰ আগত তুলি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

(খ) এই অধ্যয়নৰ জৰিয়তে নমশূদ্ৰ সমাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাৰ উপকাৰিতা ও উপযোগিতাৰ বিষয়ে কবলৈ যত্ন কৰা হৈছে।

(গ) নমশূদ্ৰ সম্প্ৰদায়ৰ লোকসকলক নিজৰ পৰম্পৰাগত সমাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাৰ চৰ্চাৰ লগতে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ প্ৰতি সজাগতা সৃষ্টি কৰাও এই অধ্যয়নৰ আন এক উদ্দেশ্য।

নমশূদ্ৰ সমাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ প্ৰয়োগৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল—

**চড়ক পূজাত তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যা ঃ** নমশূদ্ৰসকলৰ এটি লেখত লবলগীয়া উৎসৱ হৈছে চড়ক পূজা। এই পূজা চ'ত, বহাগ অথবা জেঠ মাহৰ সংক্ৰান্তি দিনা অনুষ্ঠিত হয়। চড়ক পূজা চ'ত বা বহাগ বা জেঠ মাহৰ সক্ৰান্তিলৈ সাতদিন বা নদিন বা এঘাৰদিন থাকোতে আৰম্ভ হয়। এই পূজাৰ বিশেষত্ব এই যে ইয়াত ব্ৰাহ্মন পুৰোহিতে কেৱল প্ৰথম আৰু শেষৰ দিনাৰ পূজাভাগ আগবঢ়ায়। আন যাৱতীয় পূজা-সেৱাৰ কাৰণে নমশূদ্ৰ সম্প্ৰদায়ৰ চড়ক পূজাৰ নীতি-নিয়ম জনা পাৰ্গত লোক এজনক পূজাৰী হিচাপে নিযুক্ত কৰা হয়, যাক মাথ্যুমা বুলি কয়। এই মাথ্যুমাজন হ'ল মূল পূজাৰী। এই মাথ্যুমাজন এজন তান্ত্ৰিক। এই পূজাত বহুলভাৱে তন্ত্ৰ-মন্ত্ৰৰ ব্যৱহাৰ কৰা হয়। মাথ্যুমাজনক সহায় কৰিবলৈ সাতজন বা ন জন ডেকা ল'বা থাকে। এওঁলোকক সন্যাসী বোলা হয়। পূজাৰ প্ৰথম দিনাৰপৰাই তন্ত্ৰ-মন্ত্ৰৰ প্ৰয়োগ হয়।

(ক) **আঁচলি বান্ধা ঃ** মাথ্যুমাজনৰ কোনো বৈৰী মাথ্যুমা যদি ওচৰ-পাজৰৰ গাঁওসমূহত থাকে, তেন্তে তেওঁ 'বান' মাৰি সন্যাসীসকলৰ ক্ষতি কৰিব পাৰে আৰু সেই কাৰণেই মাথ্যুমাই প্ৰত্যেক দিন ৰাতিপুৱাই সন্যাসীসকলৰ পিন্ধা কাপোৰৰ আঁচলত মন্ত্ৰ মাতি গাঁঠি এটাকৈ বান্ধি দিয়ে। ইয়াকে 'আঁচলি বান্ধা' বোলে। এই গাঁঠিটো থকালৈকে কোনেও তেওঁলোকৰ একো অনিষ্ট কৰিব নোৱাৰে।

(খ) **দাও খেল ঃ** চড়ক পূজাৰ পূৰ্ব্ব দিনটোক 'আজৰাৰ দিন' বোলে। সেইদিনা সন্ধিয়াপৰত পুৰোহিতে মণ্ডপত হৰ-গৌৰী পূজা কৰে আৰু আনফালে মাথ্যুমাই সন্যাসীসকলক লগত লৈ 'দাও খেল' দেখুৱায়। এই দাও খেলত মাথ্যুমাই মন্ত্ৰৰ জৰিয়তে 'বাম দাও'ৰ মুখ বন্ধ কৰি লয়। ইয়াৰ পাছত দুজন সুঠাম ডেকাই দাখনৰ ধাৰ থকা মুখ ওপৰ ফালে কৰি দুই মূৰত টানকৈ ধৰে। সন্যাসীসকলে এই দাখনৰ মুখত ভৰিৰে গচকি পাৰ হয়। এই পূজাৰ কেইদিন নিৰামিষ ভোজন কৰা যিকোনো ব্যক্তিয়েই এই দাৰ মুখত ভৰ দি পাৰ হ'ব পাৰে। এনেকৈ দাখন গচকি পাৰ হ'লেও কাৰো ভৰি দাখনেৰে নাকাটে। মন্ত্ৰপুত এই দাখনেৰে মানুহৰ শৰীৰত খপিয়ালেও নাকাটেও, তেজো নোলায়।

(গ) **পূৰ্ণ সমাধি ঃ** চড়ক পূজাৰ দিনা পূজাথলীত মাথ্যুমাই তেওঁৰ তন্ত্ৰ-মন্ত্ৰৰ ভৰপুৰ প্ৰয়োগ কৰে। কোনো কোনো মাথ্যুমাই 'পূৰ্ণ সমাধি'খেল





দেখুৱায়। এই খেলখন এনেকুৱা যে, মাথ্যুমাই সন্যাসীসকলৰ সৈতে লগলাগি এজন মানুহ সমাধি দিবপৰা জোখৰ এটা গাঁত খান্দে। এই গাঁতটোত তন্ত্ৰ-মন্ত্ৰ প্ৰয়োগ কৰি এজন জীৱন্ত মানুহ যোগাসনত বহুৱাই দি, গাঁতৰ ওপৰত বাঁহ, কাঠ পেলাই ওপৰত ঢাকি পাৰি দিয়ে। এই ঢাকিৰ ওপৰত মাটি পাৰি দিয়ে যাতে গাঁতৰ ভিতৰত বায়ু সোমাব নোৱাৰে। ইয়াৰ পাছত ঢাক আৰু কাঁহ বাদনৰ তালে তালে মাথ্যুমাই চড়ক গাছৰ গুৰিত ফুল-পুষ্প, ধূপ-দীপেৰে মন্ত্ৰোচ্চাৰণেৰে পূজা দিয়ে। এই পূজাৰ অন্তত আধা ঘন্টা বা এক ঘন্টাৰ পাছত সমাধি ক্ষেত্ৰৰ মাটি আঁতৰাই গাঁতৰ ভিতৰৰপৰা মানুহজনক উলিয়াই আনে। এই মানুহজন ইতিমধ্যে মৃতপ্ৰায় হৈ পৰে। মাথ্যুমাই মন্ত্ৰৰ বলত মানুহজনক সুস্থ কৰি তুলে। কিছু সময়ৰ পাছত মানুহজন পূজাৰ কামত ব্যস্ত হৈ পৰে। মাথ্যুমাই জীৱন্ত মানুহ এজনক এনেদৰে সমাধি দিয়া কাৰ্যটো সঁচাকৈ বিস্ময়কৰ।

(ঘ) **জুইৰ ওপৰেদি খোজকঢ়া ঃ** চড়ক পূজাৰ দিনা মাথ্যুমাই প্ৰদৰ্শন কৰা আন এক ভয়ানক ও চিত্তাকৰ্ষক কাৰ্য হৈছে-জুইৰ ওপৰেদি নগ্ন ভৰিৰে মানুহ খোজকাঢ়ি যোৱা। এই খেলখনৰ কাৰণে মাথ্যুমাই ২/৩ ফুট বহল আৰু ১০/১২ ফুট দীঘল মাটিত এটি গাঁত খান্দে আৰু শুকান কাঠ গাঁতত ভৰাই দি জুই জ্বলাই দিয়ে। কাঠ জ্বলি যেতিয়া আঙঠা হয়, তেতিয়া ইয়াৰ ওপৰেদি মাথ্যুমাই নিজেই নগ্ন ভৰিৰে ১০/১২ ফুট খোজকাঢ়ি পাৰ হৈ যায়। মাথ্যুমাৰ অনুমতি লৈ পূজাৰ এইকেইদিন ব্ৰতত থকা যিকোনো সন্যাসীয়েই নগ্ন ভৰিৰে খোজকাঢ়ি এই জ্বলি থকা জুইৰ ওপৰেদি পাৰহৈ যাব পাৰে। মাথ্যুমাৰ বিনানুমতিত যদি কোনো ব্যক্তিয়ে এই জুইৰ ওপৰেদি খোজকাঢ়িবলৈ যায়, তেন্তে তেওঁ লগে লগে ভস্ম হৈ যাব। মাথ্যুমা আৰু সন্যাসীসকলে এই জুইৰ ওপৰেদি খোজকাঢ়ি যোৱা সময়ত জ্বলি থকা জুইত প্ৰচুৰ পৰিমানে ধুনা ছটিয়াই দিয়া হয় আৰু ঢাক আৰু কাঁহ বজোৱা হয়; মহিলাসকলে জাউৰিয়ে জাউৰিয়ে উৰুলি দিয়ে আৰু সন্যাসীসকলে 'বল ভাই সন্যাসীৰা, দেবেৰ দেব, মহাদেব, সদয় শিব, ৰক্ষা কৰ কলিৰ জীৱ' বুলি ধ্বনি দিয়ে। এই যাদুখেল দেখুৱাব লগা হ'লে, মাথ্যুমাজন তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাত যথেষ্ট পাৰ্গত হ'ব লাগিব; অন্যথা যিকোনো ধৰণৰ অঘটন ঘটিব পাৰে। কোনো বৈৰী মাথ্যুমাইও খেলখনত বিঘ্ন সৃষ্টি কৰিব পাৰে। সেই কাৰণে এই খেলখন মাথ্যুমাসকলে সচৰাচৰ প্ৰদৰ্শন নকৰে।

(ঙ) **বৰশী বানাম ঃ** চড়কপূজাৰ দিনা অন্যান্য পূজা-সেৱা আগবঢ়োৱাৰ পাছত বানাম হয়। এই বানাম দিবৰ কাৰণে টান কাঠৰ বাকচ্ সদৃশ এটি যন্ত্ৰ বনোৱা হয় (যোনীৰ প্ৰতীক), যাৰ অধঃ আৰু উৰ্দ্ধ ভাগত ডাঙৰ ছিদ্ৰ থাকে। এই যন্ত্ৰটো চড়ক গাছৰ অগ্ৰ ভাগত সোমোৱাই দিয়া হয়। এই যন্ত্ৰটোত ২৫/৩০ ফুট দীঘল বাঁহ এডাল এনেভাৱে বান্ধি দিয়া হয় যাতে বাঁহডালৰ দুই মূৰ যন্ত্ৰটোৰ দুই ফালে সমান দূৰত্বত ওলমি থাকে। বাঁহডালৰ দুই মূৰত দুডাল ৰচী বান্ধি দিয়া হয়। বৈষ্ণৱ মতে পূজা কৰিলে এজন সন্যাসীৰ গাত ধুতি মেৰিয়াই বাঁহডালৰ এডাল ৰচীত বান্ধি দিয়া হয়। আনহাতে, শাক্তম মতে পূজা কৰিলে, এজন সন্যাসীৰ পিঠিত মাথ্যুমাই মন্ত্ৰ মাতি দুটা বৰশী বিন্ধাই দি বৰশী দুটা বাঁহডালৰ এডাল ৰচীত বান্ধি দিয়ে। কিন্তু এনে কৰিলেও কোনো ধৰণৰ তেজ নোলায়। ইয়াকে বৰশী বানাম বোলে। তেওঁৰ হাতত ত্ৰিশূল এপাত থাকে। তেওঁৰ জুলুঙাত কেইটামান আম আৰু বাতাচা দিয়া হয়। বাঁহডালৰ আনটো মূৰৰ ৰচি ধৰি কেইবাজনে বানাম লোৱাজনক শূন্যত আঢ়ৈ পাক ঘূৰায়। এই ঘূৰাৰ সময়ত বানাম লোৱাজনে তেওঁৰ জুলুঙাৰপৰা বাতাচা উলিয়াই সমবেত ভক্ত-বৃন্দক ছটিয়াই দিয়ে আৰু আমবোৰ অলপ অলপ কামুৰি ভক্ত-বৃন্দলৈ দলিয়াই দিয়ে। ভক্ত-বৃন্দই এই বাতাচা আৰু আম শিৱ গোসাঁইৰ প্ৰসাদ হিচাপে বুটলি লয়। ইয়াৰ পাছত তেওঁক নমোৱা হয়। ইয়াকে চড়ক গাছ ঘূৰাণি বোলে।

**(চ) গাল বানাম/জিভা বানাম ঃ** বৰশী বানামৰ উপৰিও মন্ত্ৰ প্ৰয়োগ কৰি মাথুমাই 'গাল বানাম' দিয়ে। এই বানামত মাথুমাই ১ ফুটমান দীঘল লোৰ মিহি শলি এডাল জুইত সেকি লয়। এই শলিডালৰ এটা মূৰ জোঙা থাকে। এই শলিডাল মন্ত্ৰ মাতি এজন সন্যাসীৰ গাল এখন ফুটা কৰি সোমোৱাই দিয়ে। কিন্তু গালখনৰপৰা কোনো তেজ নোলায়। শলিডালৰ এটা মূৰ সন্যাসীজনৰ মুখেদি ওলাই থাকে আৰু আনটো মূৰ গালৰ বাহিৰত থাকে। সন্যাসীজনৰ হাতত এপাহ জবা ফুল গুজি দি ৰাইজৰ মাজত এৰি দিয়ে। সমবেত ৰাইজে বানামধাৰীক টকা-পইচা দি পুৰস্কৃত কৰে। মেলা শেষ হ'লে, মাথুমাই শলিডাল টানি উলিয়াই দি গালখনত মন্ত্ৰ মাতি তেজ ওলাব নোৱাৰাকৈ বন্ধ কৰি থয়। কিছুদিনৰ ভিতৰতে গালৰ ছিদ্ৰ চিনিব নোৱাৰা হয়। একে ধৰণেৰে জিভা ছিদ্ৰ কৰি লোৰ শলিডাল সোমোৱাই দিয়ে। মেলাৰ শেষত শলিডাল উলিয়াই দি মন্ত্ৰ মাতি তেজ ওলাব নোৱাৰা কৰি থয়। ইয়াৰ পাছত বানামধাৰীয়ে কেৱল তিনিদিনলৈ নিৰামিষ আহাৰ গ্ৰহণ কৰিব লাগে। তিনিদিনৰ ভিতৰত ঘা সম্পূৰ্ণ শুকাই যায়।

**সৰ্দাৰবাড়ি খেল আৰু তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যা ঃ** নমশূদ্ৰসকলৰ বিবাহৰ এটি অপৰিহাৰ্য বিষয়সূচী হৈছে- 'সৰ্দাৰবাড়ি খেল'। অৱশ্যে আজিকালি বিবাহৰ সময়ত এই খেলখন খেলা নহয় আৰু ই এটা প্ৰায় মৃত্যুমুখী ক'লা। এই সৰ্দাৰবাড়ি খেলতো বিভিন্ন ধৰণৰ তন্ত্ৰ-মন্ত্ৰৰ প্ৰয়োগ হয়। আজিৰ পৰা ২০-২৫ বছৰৰ পূৰ্বে প্ৰায় সকলোবোৰ বিবাহ বৰযাত্ৰিৰ লগত একোটাকৈ সৰ্দাৰবাড়ি খেলৰ দল গৈছিল। 'সৰ্দাৰবাড়ি খেলৰ দল' মানে হৈছে— এটি ২০-২৫ জনীয়া যুবকৰ দল, যিসকলে ৬-৭ হাত দীঘল বাঁহৰ লাখুটি আৰু ২.৫ ফুট দীঘল ভলুকা বাঁহ ফালি ধুনীয়াকৈ চুঁচি বনোৱা এছাৰিৰে, যাক 'নড়ি' বুলি কোৱা হয়, বিশেষ নিয়মৰ মাজেৰে কৌশল পূৰ্ণ খেল প্ৰদৰ্শন কৰে। এই খেলত এজন গুৰু থাকে, যাক 'ওস্তাদ' বোলা হয়। প্ৰত্যেকজন খেলুৱৈক 'ছিৱাই' বোলে। প্ৰত্যেকজন 'ছিৱাই' নড়ি আৰু লাখুটিৰে ৰণ কৌশল প্ৰদৰ্শন কৰাত পাকৈত। নমশূদ্ৰ সম্প্ৰদায়ৰ বিবাহ কাৰ্যসূচী দুদিনীয়া। আগ দিনা 'হাঞ্জা বিয়া' আৰু পিছ দিনা 'বাসী বিয়া'। বাসী বিয়া হৈ গলে, বৰযাত্ৰীৰ লগত যোৱা সৰ্দাৰৰ দলে তেওঁলোকৰ খেল প্ৰদৰ্শন কৰে। লাখুটি আৰু নড়িৰে প্ৰতিদ্বন্দ্বী দুজনকৈ ডেকাই যুদ্ধক্ষেত্ৰত কেনেকৈ লাঠি চলাব লাগে, কেনেকৈ আত্মৰক্ষা কৰিব লাগে আদি কৌশলবোৰ প্ৰদৰ্শন কৰে। এই খেল প্ৰদৰ্শন কৰোঁতে কেতিয়াবা প্ৰতিদন্দীৰ নড়িৰ কোবত কোনোবা খেলুৱৈ বেয়াকৈ আঘাত প্ৰাপ্তও হয়। এই খেল প্ৰদৰ্শন কৰোঁতে কোনোবা খেলুৱৈয়ে তন্ত্ৰ-মন্ত্ৰৰো সহায় লয়। মন্ত্ৰৰ বলত প্ৰতিপক্ষৰ আক্ৰমণৰ পৰা বাচিবলৈ নিজৰ শৰীৰটো বন্ধ কৰি লয়। এনে কৰিলে প্ৰতিপক্ষই যিমান মাৰিলেও শৰীৰৰ কোনো ক্ষতি নহয়। কোনোবা খেলুৱৈয়ে 'লুকানো মন্ত্ৰ' ব্যৱহাৰ কৰে। এনে কৰিলে প্ৰতিপক্ষই আক্ৰমণৰ বাবে চোচা ললে হঠাৎ অদৃশ্য হৈ যায়। কোনেও তেওঁক বিচাৰি নাপায়। ক্ষন্তেক পিছত মানুহৰ ভিৰৰ মাজৰপৰা ওলাই আহি আকৌ খেলত অংশগ্ৰহণ কৰে। এনে ক্ষেত্ৰত প্ৰতিপক্ষ খেলুৱৈজনে বৰ বিব্ৰত বোধ কৰে। এই খেল প্ৰদৰ্শন কৰোঁতে কেতিয়াবা কোনোবা খেলুৱৈয়ে নিজৰ 'নড়ি'ত মন্ত্ৰ ব্যৱহাৰ কৰি লয় আৰু এনে 'নড়ি'ৰে বিপক্ষ খেলুৱৈক প্ৰহাৰ কৰিলে, আঘাত প্ৰাপ্ত অংগৰ মাংসে কিছু দিনৰ ভিতৰত গেলি-পচি যায়।

পূৰ্বতে মাজে-সময়ে বিভিন্ন কাৰণত সমাজৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত যুদ্ধ-বিগ্ৰহ হৈছিল। সেই সময়ত ডাঙৰ ডাঙৰ সৰ্দাৰসকলে যুদ্ধ ক্ষেত্ৰত তন্ত্ৰ-মন্ত্ৰ প্ৰয়োগ কৰিছিল। মন্ত্ৰৰ বলত এজন সৰ্দাৰে যুদ্ধ ক্ষেত্ৰত দহজনৰ মূৰ্ত্তি ধাৰণ কৰিব পাৰিছিল। এজন সৰ্দাৰে বিপক্ষৰ বহু সৈনিকক বধ কৰিব পাৰিছিল। এনে সৰ্দাৰসকলৰ ভিতৰত মৰিগাঁও জিলাৰ গুণামৰা গাঁৱৰ স্বৰ্গীয় নগৰ সৰ্দাৰ আৰু স্বৰ্গীয় ঋগৰ সৰ্দাৰৰ নাম উল্লেখ কৰিব পাৰো।







**চোৰ ধৰা মন্ত্ৰ ঃ** নমশূদ্ৰ সমাজৰ কোনো গৃহস্থৰ যদি কোনো মূল্যবান বস্তু চুৰ হয় নাইবা পৰিয়ালৰ কোনো সদস্য নিৰুদ্দিষ্ট হয় নাইবা ঘৰখনত ক'লা যাদুৰ প্ৰভাৱ পৰে, তেন্তে তেওঁলোকে বেজৰ সহায়ত নিম্ন উল্লেখিত তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ সহায়ত সমস্যা সমাধান কৰে ঃ-

**(ক) বেত চালান ঃ** কোনো লোকৰ যদি কোনো মূল্যবান বস্তু হেৰায় আৰু বিচাৰ-খোচাৰ কৰি, নানাজনক সুধ-পুছ কৰি, ৰাইজ মেল বহুৱাই যদি বস্তুটো নাপায়, তেন্তে 'বেত চালান' দিয়ে। এই বেত চালান মন্ত্ৰৰ প্ৰয়োগ কৰি দিয়া হয়। এই বেত চালানৰ মন্ত্ৰ জনা বেজে বেতৰ লাখুটি এডাল লগত লৈ বস্তু চুৰ হোৱা ঘৰলৈ আহে। তাত গাঁৱৰ ৰাইজো গোট খায়। এই বেত চালান দিবৰ বাবে এজন তুলাৰাশি মানুহ লাগে। বেজজনে চোতালত তুলসীৰ তলত ঈশ্বৰৰ নামত শৰাই আগবঢ়াই প্ৰথমতে তুলাৰাশি মানুহজনৰ শৰীৰটো মন্ত্ৰ মাতি বন্ধ কৰি লয়। ইয়াৰ পাছত বেতৰ লাখুটিডালত মন্ত্ৰ মাতি দৈৱ শক্তি প্ৰতিষ্ঠা কৰি তুলাৰাশি মানুহজনৰ হাতত তুলি দিয়ে। ইয়াৰ লগে লগে তুলাৰাশি মানুহজন আপুনা-আপুনি চলিবলৈ ধৰে আৰু চোৰে বস্তু চুৰি কৰি যিটো বাটেৰে পলায়ন কৰিছিল, সেই বাটে বাটে গৈ গৈ চোৰৰ ঘৰ ওলায়। এই চালানৰ পাছে পাছে সমবেত ৰাইজো যায়। ইয়াতে উল্লেখ থাকে যে, মন্ত্ৰপুত লাখুটিডালেহে তুলাৰাশি মানুহজনক দৈৱিক শক্তিৰ দ্বাৰা টানি টানি চোৰৰ ওচৰলৈ লৈ যায়। চোৰটোক লগ পালে সেই নাকাঢ়লৈকে লাখুটিডালে চোৰটোক কোবাই থাকে। লাখুটিৰ কোবত চোৰে ৰাইজৰ আগত স্বীকাৰোক্তি দিয়ে আৰু হৰণ কৰা বস্তুটো উলিয়াই দিয়ে। কেতিয়াবা চোৰে যদি বেত চালানৰ বিশ্বাসযোগ্যতাৰ ওপৰত প্ৰশ্ন উত্থাপণ কৰে, তেতিয়া তুলাৰাশি মানুহজনৰ চকুযুৰি ৰঙা কাপোৰেৰে ভালদৰে মেৰিয়াই বান্ধি দিয়ে, যাতে তেওঁ একো দেখা নাপায়। আজিকালি অৱশ্যে বেত চালান দিয়াৰ প্ৰৱনতা হ্ৰাস পাইছে। ইয়াৰ কাৰণ হিচাপে আমি ক'ব পাৰো যে, জনসাধাৰণ শিক্ষা-দীক্ষা গ্ৰহণ কৰাৰ লগে লগে তেওঁলোকৰ তন্ত্ৰ- মন্ত্ৰৰ প্ৰতি বিশ্বাস কমি আহিছে।

**(খ) বাটি চালান ঃ** চোৰ ধৰাৰ আন এটা পন্থা হৈছে- 'বাটি চালান'। এই বাটি চালান দিওঁতেও তুলাৰাশি মানুহ লাগে। কোনো গৃহস্থৰ যদি কোনা বস্তু চুৰ হয় আৰু চোৰ যদি ধৰিব নোৱাৰে, তেন্তে তেওঁ ৰাইজমেল মাতি বাটি চালান দিয়াৰ অনুমতি বিচাৰে। ৰাইজে অনুমতি দিলে, বাটি চালানৰ তন্ত্ৰ-মন্ত্ৰ জনা বেজ আমন্ত্ৰণ কৰি আনে। বেজ আহি ৰাইজৰ উপস্থিতিত গৃহস্থৰ চোতালত দৈৱ আসন পাৰি ঈশ্বৰৰ নামত সেৱা লৈ বাটি চালানৰ ব্যৱস্থা কৰে। তেওঁ প্ৰথমতে তুলাৰাশি মানুহজনৰ শৰীৰ মন্ত্ৰ মাতি বন্ধ কৰি লয়, যাতে চালানৰ সময়ত তেওঁক কোনেও ক্ষতি কৰিব নোৱাৰে। ইয়াৰ পাছত তেওঁ কাঁহ-পিতলৰ বাটি এটাত তুলাৰাশি মানুহজনৰ এখন হাত বাটিটোত ৰাখি ধূপৰ গুৰি ছটিয়ায় আৰু মন্ত্ৰ মাতে। মন্ত্ৰ উচ্চাৰণৰ লগে লগে বাটিটো চোৰ যোৱা বাটে বাটে দৌৰি যায়। তুলাৰাশি মানুহজনক বাটিটোৱে চোঁচৰাই লৈ যায়। বাটি চালানৰ পাছে পাছে বেজ সহিতে ৰাইজো যায়। এই বাটিটোৱে খাল-বিল একো নামানে, আনকি পানীৰ তলেদিও যায়। ইয়াৰ কাৰণ হিচাপে ক'ব পাৰি যে বাটিটোৱে চোৰৰ বাটটোহে অনুসৰণ কৰে। এনে অৱস্থাত তুলাৰাশি মানুহজনৰ অৱস্থা কাহিল হৈ পৰে, কাৰণ তেওঁ বেয়া ৰাস্তা পালে শৰীৰৰ সৰ্ব্বশক্তি প্ৰয়োগ কৰিও বাটিটোৰ পৰা হাতখন এৰোৱাই আনিব নোৱাৰে। এনেদৰে চালানৰ বাটি গৈ চোৰৰ ঘৰ ওলায়গৈ। তেতিয়া ৰাইজে চোৰটোক ধৰি বিচাৰ কৰি চুৰ কৰা বস্তু উলিয়াই দিবলৈ বাধ্য কৰায়। চোৰে যদি চুৰ কৰাৰ কথা অস্বীকাৰ আৰু বাটি চালানৰ বিশ্বাসযোগ্যতাত প্ৰশ্ন কৰে, তেতিয়া বিচাৰ থলীত আকৌ এবাৰ বাটি চালান দিয়ে। এইবাৰ প্ৰথমতে তুলাৰাশি মানুহজনৰ চকুযুৰি ৰঙা কাপোৰেৰে বান্ধি লোৱাৰ পাছত চোৰটোক ৰাইজৰ মাজত নিজৰ পচন্দ

মতে ঠাই বাচি লৈ বহিবলৈ দিয়া হয়। চোৰটোয়ে বহাৰ পাছতহে বেজে বাটি চালান দিয়ে। বাটি চালান গৈ যদি চোৰটোৰ গাত উঠে, তেন্তে চোৰটোৰ উপায় নাথাকে আৰু চুৰ কৰা বস্তু উলিয়াই দিবলৈ বাধ্য হয়। কেতিয়াবা ডাঙৰ নদী বা বনাঞ্চলত চালান উপস্থিত হ'লে, বেজে বাটিটো ধৰি দিয়ে। বেজে বাটিটো স্পৰ্শ কৰাৰ লগে লগে চালান বন্ধ হৈ যায়।

কোনো ব্যক্তিৰ ঘৰত তেওঁৰ কোনো শত্ৰুয়ে পৰিয়ালৰ সদস্যসকলৰ অনিষ্ট সাধনৰ উদ্দেশ্যে ক'লা যাদুৰ সহায়ত ক্ষতিকাৰক ঔষধি বস্তু পুতি থব পাৰে। এনে কৰিলে ঘৰৰ মানুহৰ বেমাৰ-আজাৰ হ'ব পাৰে। কবিৰাজি চিকিৎসা বা ডাক্তৰী চিকিৎসা কৰি বেমাৰ ভাল কৰিব নোৱাৰিলে, বেজৰ সহায় লোৱা হয়। বেজে বাটি চালানৰ সহায়ত ঘৰৰ চৌহদৰ ভিতৰত যাদু কৰি পুতি থোৱা বেয়া বস্তুৰ স্থান নিৰূপণ কৰি মাটি খান্দি উলিয়াই আনিব পাৰে। অৱশ্যে আজিকালি জনসাধাৰণ শিক্ষিত হৈ অহাৰ লগে লগে সমাজৰপৰা ক'লা যাদুৰ প্ৰভাৱ কমিছে।

(গ) আয়না পৰীক্ষা ঃ ঘৰৰ মূল্যবান বস্তু চুৰি হ'লে; ঘৰৰ কোনোবা সদস্য ঘৰৰপৰা নাইকীয়া হ'লে বা ঘৰখনত ক'লা যাদুৰ প্ৰভাৱ অনুভৱ হ'লে, বেজৰ দ্বাৰা 'আয়না পৰীক্ষা' কৰি হেৰুৱা বস্তুৰ স্থান নিৰূপণ, ঘৰৰপৰা অদৃশ্য হোৱা সদস্যজনৰ স্থান নিৰূপণ বা ঘৰখনত ক'লা যাদু কৰা ব্যক্তিজনক চিনাক্ত কৰা হয়। এই পৰীক্ষাত মুখ চোৱা আয়না এখন আৰু তুলাৰাশি মানুহ এজন লাগে। বেজে গৃহস্থৰ চোতালত তুলসীৰ তলত ধূপ-দীপ জ্বলাই, অন্যান্য পূজা সামগ্ৰীৰে ঈশ্বৰৰ নামত পূজা আগবঢ়ায়। তেওঁ তুলাৰাশি মানুহজনক শুদ্ধি কৰি লৈ আয়নাখনত মন্ত্ৰ মাতি ঐশ্বৰিক শক্তি আৰোপ কৰি তুলাৰাশিযুক্ত মানুহজনৰ হাতত দিয়ে। তুলাৰাশিযুক্ত মানুহজনে আয়নাখন দুই হাতেৰে নিজৰ সন্মুখত তুলি ধৰে আৰু বেজে এটা এটাকৈ শিকাই দিয়া কথাখিনি কয়। কথাখিনি এনে ধৰণৰ- "হে ঈশ্বৰ/গুৰুদেৱ, অমুকৰ (গৃহস্থজনৰ নাম) অমুক (হেৰুৱা বস্তুটোৰ নাম) বস্তুটো হেৰাইছে, আপুনি দয়া কৰি বস্তুটো কোনে নিলে দেখুৱাই দিয়ক/অমুক মানুহজন নিৰুদ্দেশ হৈ আছে, বৰ্তমান মানুহজন জীৱিত নে মৃত আৰু যদি জীয়াই আছে, তেন্তে মানুহজন ক'ত আছে, আপুনি দয়া কৰি দেখুৱাই দিয়ক/অমুকৰ (গৃহস্থজনৰ নাম) ঘৰত কোনোবাই ক'লা যাদু কৰিছেনেকি? দয়া কৰি আপুনি দেখুৱাই দিয়ক।" এনে ধৰণৰ কথাখিনি কোৱাৰ পাছত আয়নাখনত বিচৰা ধৰণে সকলো ছবি আকাৰে ভাহি উঠে। তুলাৰাশিযুক্ত মানুহজনে আয়নাখনত ভাহি উঠা ছবি চাই, সকলো কথা বেজ আৰু উপস্থিত ৰাইজক শুনাকৈ কই যায়, যেনে- হেৰুৱা বস্তুটো কোনে, কেতিয়া, কেনেকৈ নিলে, বৰ্তমান বস্তুটো ক'ত আছে নে কাৰোবাক বেচিলে, চোৰটো চিনি পালে নামটো কয়, চিনি নাপালে চোৰটো দেখাত কেনেকুৱা, মুখৰ আকৃতি কেনেকুৱা ইত্যাদি সকলোবোৰ লাগতীয়াল প্ৰশ্নৰ উত্তৰ দিয়ে। তেওঁৰ বৰ্ণনাৰ ওপৰত ভিত্তি কৰি চোৰ ধৰাত সহায় হয়। নিৰুদ্দিষ্ট মানুহজনৰো ছবি আয়নাখনত ভাহি উঠে। এই ছবি চাই, নিৰুদ্দিষ্ট হৈ থকা মানুহজন জীৱিত নে মৃত, যদি জীয়াই আছে, তেন্তে মানুহজন ক'ত আছে ইত্যাদি সকলো তথ্য বেজ আৰু ৰাইজৰ আগত কয়। তেওঁৰ তথ্যৰ ভিত্তিত নিৰুদ্দিষ্ট হৈ থকা মানুহজনক বিচাৰি অনাত সহায় হয়। যিকোনো জীৱ-জন্তু হেৰালেও, এই আয়না পৰীক্ষাৰ জৰিয়তে ঠাই চিনাক্ত কৰি বিচাৰি পোৱাত সহায় হয়। 'ক'লা যাদুৰ' ক্ষেত্ৰতো আয়না পৰীক্ষা কৰি ঘৰত কোনোবাই ক্ষতিকাৰক ঔষধি বস্তু পুতি থৈছে নেকি, যদি থৈছে, তাৰ হুবহু স্থান আৰু কোনে এনে নীচ কাৰ্য কৰিলে, এই সকলো তথ্য আয়নাত ধৰা পৰে। এই তথ্য মতে, ক্ষতিকাৰক বস্তু উঠাই ঘৰখন বেমাৰ-আজাৰৰপৰা ৰক্ষা কৰিব পাৰে আৰু ক'লা যাদু কৰা ব্যক্তিজনকো চিনাক্ত কৰিব পাৰে আৰু মানুহজনক ভৱিষ্যতে এনে নীচ কাৰ্য নকৰিবলৈ সকিয়াই দিব পাৰে।





(ঘ) নখ পৰীক্ষা ঃ চোৰ ধৰা, নিৰুদ্দিষ্ট মানুহৰ সন্ধান কৰা, নিৰুদ্দিষ্ট জীৱ-জন্তুৰ সন্ধান কৰা আৰু ক'লা যাদুৰ প্ৰভাৱৰপৰা মুক্তি পাবৰ আন এক পন্থা হৈছে- 'নখ পৰীক্ষা'। এই পৰীক্ষাতো তুলাৰাশিযুক্ত মানুহ লাগে। বেজ গৰাকীয়ে প্ৰথমতে কল পাতত সৰিয়হৰ তেল সানি চাকিৰ জুইৰ ওপৰত ধৰে। জুইৰ শিখাত কল পাতত ছাইৰ ডাঠ কলা চামনি পৰে। এই চামনিত তুলাৰাশি মানুহজনৰ দুই হাতৰ দুটা বুঢ়া আঙুলিৰ নখ ঘঁহি কলা চিক্চিকিয়া কৰা হয়। ইয়াৰ পাছত বেজে ঔষধি গছ-লতাৰ শিপা আৰু অন্যান্য বস্তু তুলাৰাশি মানুহজনৰ হাতৰ মুঠিত গুজি দি নখ পৰীক্ষাৰ মন্ত্ৰ মাতে। ইয়াৰ পাছত তুলাৰাশি মানুহজনে তেওঁৰ নখ দুটা এনেকৈ থিয় কৰাই ধৰে যাতে সূৰ্যৰ ৰশ্মি নখ দুটাত পৰে। এতিয়া বেজে এটা এটাকৈ শিকাই দিয়া ধৰণে তেওঁ ওপৰত আয়না পৰীক্ষাত বৰ্ণিত কথাখিনি কয়। তেওঁ নিজৰ নখত তেওঁ জানিব খোজা প্ৰশ্ন বিলাকৰ উত্তৰ ছবি আকাৰে দেখা পায়। ছবি চাই তেওঁ যি বৰ্ণনা দিয়ে, সেই মতে গৃহস্থৰ সমস্যা সমাধান কৰা যায়।

(ঙ) খুৰ পড়া ঃ চোৰ ধৰিবলৈ বা ক'লা যাদুকৰক ধৰিবলৈ ওপৰত উল্লেখ কৰা বেত চালান, বাটি চালান, আয়না পৰীক্ষা, নখ পৰীক্ষা ইত্যাদি নানা পন্থা অৱলম্বন কৰিলেও যদি চোৰে বা ক'লা যাদুকৰে নিজৰ অপৰাধ বাৰে বাৰে অস্বীকাৰ কৰে, তেন্তে বেজে তেওঁৰ সৰ্বশেষ অস্ত্ৰ 'খুৰ পড়া' পন্থা গ্ৰহণ কৰে। এই খুৰ পড়া পন্থা গ্ৰহণ কৰিব লগা হ'লে, গাঁৱৰ সমূহ ৰাইজৰ অনুমতি লোৱাটো বাধ্যতামূলক। ৰাইজৰ অনুমতি পোৱাৰ পাছত বেজৰ নিৰ্দেশ মতে গৃহস্থই নাপিতৰ দোকানৰপৰা এখন খুৰ আৰু কুমাৰৰ ঘৰৰপৰা এটা কেঁচা মাটিৰ পাত্ৰ (জুইত নোপোৰা) চুৰ কৰি আনিব লাগে। এই দুইটা বস্তু খুজি আনিলে নহয়। এই দুটা বস্তু অনাৰ পাছত নিৰ্দিষ্ট দিনত বেজে ৰাইজৰ সন্মুখত খুৰ আৰু মাটিৰ পাত্ৰত মন্ত্ৰ মাতি অলৌকিক শক্তি প্ৰদান কৰে আৰু শেষত খুৰখনেৰে মাটিৰ পাত্ৰটোৰ পিঠিৰ ফালে চুঁচি দিয়ে। ইয়াকে 'খুৰ পড়া' বোলে। এই খুৰ পড়া দিয়াৰ সপ্তাহটোৰ ভিতৰতে চোৰটোৰ বা ক'লা যাদুকৰৰ মূৰৰ চুলি, চকুৰ চেলাউৰি, ডাড়ি-মোচ্ সৰি টকলা হৈ পৰে। এনেকৈ অপৰাধীজনে চৰম শাস্তি ভোগীব লগা হয়। তেওঁ গোটেই জীৱনৰ কাৰণে সমাজত এজন বেয়া মানুহ হিচাপে চিহ্নিত হৈ ৰয়। এই মানুহজনৰ জীৱনত কোনো দিনেই চুলি, ডাড়ি, মোচ্, চেলাউৰি আদি নগজে। এই চৰম শাস্তিৰ পৰা ৰেহাই পাবৰ বাবে খুৰ পড়া দিয়াৰ দিনাখনো কিছু কিছু অপৰাধীয়ে নিজৰ অপৰাধ স্বীকাৰ কৰি ৰাইজৰ আগত ক্ষমা প্ৰাৰ্থী হয়।

মোহিনী মন্ত্ৰ ঃ নমশূদ্ৰ সমাজত 'মোহিনী মন্ত্ৰৰ' প্ৰভাৱ বাৰুকৈ আছে। এই মন্ত্ৰ ভাল কামতো ব্যৱহাৰ কৰে আৰু বেয়া কামতো ব্যৱহাৰ কৰে। নমশূদ্ৰ লোকসকলৰ অধিক সংখ্যকেই যিহেতু চহৰাঞ্চলৰপৰা দূৰত দুৰ্গম অঞ্চলত বাস কৰে, সেইহেতু তেওঁলোক সৰু-সুৰা অপৰাধজনিত কাৰণত থানা বা আদালতলৈ নগৈ, ৰাইজ মেলৰ জৰিয়তে সমস্যা সমাধান কৰাত অগ্ৰাধিকাৰ দিয়ে। এই ৰাইজ মেল নিজ গাঁৱৰ ৰাইজসকলকলৈ বহে যদিও কেতিয়াবা ওচৰ-চুবুৰীয়া দুই/চাৰিখন গাঁৱৰ ৰাইজকলৈও বহে। সমস্যা ডাঙৰ হ'লে, ২২ গ্ৰামলৈ ডাঙৰ ৰাইজ মেল বহে। মেল সৰুৱেই হওঁক বা ডাঙৰেই হওঁক, কেতিয়াবা ফৰিয়াদি আৰু আচামী দুয়ো পক্ষই 'মোহিনী মন্ত্ৰ' ব্যৱহাৰ কৰি ৰাইজ মেলৰ ৰায় নিজৰ সপক্ষে আনিবলৈ যত্ন কৰে। কেতিয়াবা মাতাব্বৰ (মুখীয়াল ব্যক্তি) সকলেও 'মোহিনী মন্ত্ৰ' ব্যৱহাৰ কৰি নিজৰ যুক্তি আনৰ যুক্তিতকৈ সঠিক বুলি প্ৰমাণিত কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। এই মোহিনী মন্ত্ৰ ব্যৱহাৰৰ কেইবাটাও পন্থা আছে। এটা পন্থা মতে, বেজে দিয়া নিৰ্দেশনা অনুসৰি বজাৰৰপৰা নিৰ্দিষ্ট বাৰ ও তিথিত সৰিয়হৰ তেল কিনি আনিব লাগে। এই তেল বেজে জাৰি দিয়ে আৰু এই মন্ত্ৰপুত তেল আচামী বা ফৰিয়াদী পক্ষই মূৰত ও গালে-মুখে সানি মেললৈ

যায়। এই তেল ব্যৱহাৰ কৰি যিটো পক্ষ মেললৈ যায়, বিচাৰৰ ৰায় সিটো পক্ষৰ সপক্ষে হয় বুলি বিশ্বাস আছে। যদি দুইয়ো পক্ষই একেটা পন্থা লয়, তেন্তে সিদিনাৰ ৰাইজ মেলত দুৰ্ঘোৰ কাজিয়া হয় আৰু বিচাৰ প্ৰক্ৰিয়া আধাতে সামৰিব লগীয়া হয়। আন এটা পন্থা মতে, কোনো কোনো মাতাব্বৰ বা কোনোবা পক্ষই মেললৈ আহি আনৰ দৃষ্টি আকৰ্ষণ নকৰাকৈ মোহিনী মন্ত্ৰ জাপ কৰি কৰি বিচাৰ থলীৰ চাৰিওফালে আঢ়ৈ পাক ঘূৰে আৰু ৰাইজক সেৱা জনাই আসন গ্ৰহণ কৰে। এনে পন্থা লোৱা পক্ষৰ সপক্ষেহে বিচাৰৰ ৰায় হয় বুলি বিশ্বাস আছে। বেজসকলে দাবী কৰিব খোজে যে, মন্ত্ৰপুত তেল ব্যৱহাৰ কৰি বা মোহিণী মন্ত্ৰ জাপ কৰি আচামী/ফৰিয়াদী পক্ষই আদালতৰ ৰায় পৰ্যন্ত নিজৰ পক্ষত আনিবলৈ সক্ষম হয়।

**ক'লা যাদু :** নমশূদ্ৰ সমাজত ক'লা যাদুৰ প্ৰভাৱ যথেষ্ট আছে। অপৰাধীসকলৰ বিৰুদ্ধে ৰাইজ মেল বহিলে, আচামী পক্ষই ক'লা যাদু ব্যৱহাৰ কৰি বিচাৰ প্ৰক্ৰিয়া বিঘ্নিত কৰিব পাৰে। এনে ক্ষেত্ৰত আচামী পক্ষই বেজৰপৰা তাবিজ-কবচ সংগ্ৰহ কৰি ৰাইজ মেলৰ দিনা মানুহ গোট খোৱাৰ পূৰ্ব্বেই বিচাৰ থলীত পুতি থব পাৰে। বিচাৰ থলীত তাবিজ-কবচ পুতি থলে, ৰাইজ মেললৈ মানুহ প্ৰায় নাহেই আৰু আহিলেও সাক্ষীসকলে মুখ পোলোকা মাৰে অথবা ৰাইজ মেলত অপ্ৰয়োজনীয় কথা বেছিকৈ চৰ্চা হয় আৰু দুইয়ো পক্ষৰ মাজত বা মাতাব্বৰ সকলৰ মাজত অজথা কাজিয়া হয় আৰু শেষত ৰাইজ মেল আধাতে সামৰিব লগা হয়।

কোনো কোনো গাভৰু ছোৱালীৰ বিয়া কোনোবা দুষ্টলোকে ক'লা যাদু প্ৰয়োগ কৰি বন্ধ কৰি থব পাৰে। দুষ্টলোকে পাৰিবাৰিক শত্ৰুতাৰ গয়নালৈ গাভৰু ছোৱালীৰ ভৱিষ্যতকলৈ এনে নিকৃষ্ট কৰ্ম্ম কৰে। গাভৰু ছোৱালীৰ ঘৰৰ পদুলিত যদি ক'লা যাদু সম্পন্ন তাবিজ-কবচ পুতি থয়, তেনেহ'লে কইনা চাবলৈ অহা কুটুম্ব আধবাটৰপৰাই ঘূৰি যায় অথবা কইনা ঘৰলৈ আহিলেও কইনা পছন্দ নকৰে।

ক'লা যাদুৰ প্ৰভাৱত নৱ বিবাহিত পতি-পত্নীৰ সপোনৰ ঘৰখনো ভাঙি যায়। নৱ বিবাহিত পতি-পত্নীৰ সপোনৰ সংসাৰখন থান-বান কৰিবৰ বাবে কোনোবা দুষ্টলোকে ঘৰৰ চৌহদৰ ভিতৰত ক'লা যাদু সম্পন্ন তাবিজ-কবচ নাইবা ক্ষতিকাৰক লতা-পাতা-শিপা আদি পুতি থয়। এই ক'লা যাদুৰ প্ৰভাৱত পতি-পত্নীৰ মাজত মিল নাথাকে; ইজনে সিজনক সহ্য কৰিব নোৱাৰে আৰু শেষত পতি-পত্নীয়ে চৰম সিদ্ধান্ত গ্ৰহণ কৰে আৰু বিবাহ বিচ্ছেদ পৰ্যন্ত হ'ব পাৰে। সময় থাকোতে ভাল বেজৰ সহায় ল'লে, নৱ বিবাহিত পতি-পত্নীৰ সপোনৰ সংসাৰখনলৈ সুস্থিৰতা ঘূৰাই আনিব পাৰে।

ক'লা যাদুৰ প্ৰভাৱত কোনো পৰিয়ালত পাৰিবাৰিক অশান্তি দেখা দিব পাৰে; পৰিয়ালৰ কোনো সদস্য ঘৰ এৰি অজান দেশলৈ গুচি যাব পাৰে; পৰিয়ালৰ কোনো সদস্যৰ অচিন ৰোগ হ'ব পাৰে; ঘৰখনত অনাকাঙ্খিত হাই-কাজিয়া হ'ব পাৰে; মেল-মোকৰ্দমা হ'ব পাৰে আৰু নানা ধৰণৰ আহকালৰ সৃষ্টি হ'ব পাৰে। কেৱল ভাল বেজেহে ইয়াৰপৰা পৰিয়ালটোক মুক্তি দিব পাৰে।

**সামৰণি :** উপৰোক্ত আলোচনাৰপৰা এইটো দেখা গ'ল যে, নমশূদ্ৰ সমাজত তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ প্ৰভাৱ যথেষ্ট পৰিমাণে আছে। কিন্তু ক্ষেত্ৰ অধ্যয়নৰ সময়ত এইটোও দেখা গ'ল যে, নমশূদ্ৰ সমাজত বেজসকলৰ গুৰুত্ব আৰু প্ৰভাৱ যথেষ্ট পৰিমাণে আছে যদিও, বেজালীক জীৱিকা হিচাপে লোৱা বেজৰ সংখ্যা খুব কম। এই বেজসকল প্ৰকৃততে সাংসাৰিক লোক; তেওঁলোকে কৃষিকৰ্ম্ম, ব্যৱসায় বা চৰকাৰী চাকৰি কৰি জীৱিকা নিৰ্বাহ কৰে আৰু এজন এজন বেজে কেৱল কেইটামান নিৰ্দিষ্ট বিষয়তহে তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ চৰ্চা কৰে। কিন্তু আজিকালি এই সমাজৰপৰা তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ প্ৰভাৱ কমি যাব ধৰিছে। ইয়াৰ কাৰণ হিচাপে আমি ক'ব পাৰো যে, এই সমাজৰ





লোকসকল বৰ্তমান কিছু পৰিমানে হ'লেও শিক্ষিত হৈ অহাত তেওঁলোকৰ তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ ওপৰত বিশ্বাস কমি আহিছে। দ্বিতীয়তে, তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ চৰ্চা কৰাটো এটা অত্যন্ত কঠিন কাম আৰু ইয়াৰ চৰ্চা অব্যাহত ৰাখিব লগা হ'লে যথেষ্ট তপ-জপৰ প্ৰয়োজন। আজিৰ মানুহৰ ঘৰ-সংসাৰ এৰি ইমান তপ-জপৰ সময় নাই। তৃতীয়তে, দেশৰ আইন ব্যৱস্থা কঠোৰ হোৱাত বেজসকলে বেজালি এৰি দিছে, কাৰণ চৰকাৰে দেশৰ চুকে-কোণে থানাসমূহ পাতি দিয়াত চোৰবিলাকে গাঁৱলীয়া বিচাৰ নমনা হৈছে। কোনো বেজে যদি চোৰ ধৰি দিয়ে, ওলোটাই চোৰেহে বেজৰ বিৰুদ্ধে থানাত গোচৰ ৰুজু কৰে। গতিকে, বেজসকলে আইনী মেৰ-পেচত সোমাব নোখোজে। এইসমূহ কাৰণত চোৰ ধৰা তন্ত্ৰ-মন্ত্ৰৰ চৰ্চা বিলুপ্ত হ'ব ধৰিছে। চতুৰ্থতে, পূৰ্বৰ দিনত এই বেজ-কবিৰাজসকলে চিকিৎসাৰ বিনিময়ত কোনো টকা-পইচা লোৱা নাছিল। তেওঁলোকে মিছাও নামাতিছিল। তেওঁলোকে গুৰুৰপৰা শিক্ষা গ্ৰহণ কৰি কঠোৰ সাধনা কৰিছিল। গতিকে, তেওঁলোকৰ তন্ত্ৰ-মন্ত্ৰৰ শক্তি যথেষ্ট আছিল। এই শক্তিৰ দ্বাৰা তেওঁলোকে দেৱ-দেৱীৰ শক্তিকো বশ কৰি মানৱ জাতিৰ কল্যানৰ বাবে ব্যৱহাৰ কৰিব পাৰিছিল। কিন্তু আজিৰ বেজ-কবিৰাজসকলে গুৰুৰপৰা সম্পূৰ্ণ শিক্ষা গ্ৰহণ নকৰাকৈ অৰ্থৰ লালসাত বেজালি-কবিৰাজি কৰি ফুৰে। তন্ত্ৰ-মন্ত্ৰৰ কঠোৰ সাধনা নকৰাকৈ কেৱল মানুহক প্ৰতাৰণা কৰি ফুৰে। তেওঁলোকে মিছা মাতে; মানুহক বিপথে পৰিচালিত কৰে। গতিকে, তেওঁলোকে প্ৰকৃত শক্তি আহৰণ কৰিব নোৱাৰে। অৰ্থৰ বিনিময়ত যিসকল বেজালি কৰি ফুৰে, তেওঁলোকৰ তন্ত্ৰ-মন্ত্ৰৰ শক্তি কম থাকে।

শেষত আমি এই কথাটোও অকপটে স্বীকাৰ কৰিব লাগিব যে, যদিও নমশূদ্ৰ সমাজৰপৰা তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ প্ৰভাৱ কমিব ধৰিছে, তথাপি তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ চৰ্চা এই সমাজৰপৰা একেবাৰে নাইকীয়া হৈ যোৱা নাই। এতিয়াও বহু বিজ্ঞলোকে ইয়াৰ চৰ্চা অব্যাহত ৰাখিছে। এই তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰপৰা সমাজৰ বহু মানুহৰ উপকাৰো হৈ আছে। নমশূদ্ৰসকলৰ এটা আপ্তবাক্য আছে যে, "মন্ত্ৰ পেটে ৰাখলে গুণ কৰে, বাইৰে ৰাখলে খুন কৰে।" ইয়াৰ অৰ্থ এনেকুৱা যে, তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যা যদি ভাল উদ্দেশ্যত প্ৰয়োগ কৰে, তেতিয়া সমাজৰো মঙ্গল হয়, নিজৰো মঙ্গল হয় আৰু যদি বেয়া উদ্দেশ্যত প্ৰয়োগ কৰে, তেতিয়া সমাজৰো ক্ষতি, নিজৰো ক্ষতি হয়। আজিৰ বেজসকলে তন্ত্ৰ-মন্ত্ৰ-যাদুবিদ্যাৰ চৰ্চা বিজ্ঞান সন্মতভাৱে কৰিলে, সমস্ত মানৱ জাতিৰ বাবে আশিৰ্ব্বাদ স্বৰূপ হ'ব। অন্যথাই ইবিলাকৰ গ্ৰহণ যোগ্যতা নাথাকিব আৰু এদিন কালৰ বুকুত হেৰাই যাব।

**সহায়ক গ্ৰন্থ :**

১। ৰয়, ধন্য ৰাম (২০১৫) : *নমশূদ্ৰৰ দস্তাবেজ*, টেক্‌নো এড পাব্লিকেশ্বন, গুৱাহাটী-৩, প্ৰথম সমস্কৰণ।

❖❖❖

**জানানে**

১। পৃথিৱীৰ প্ৰথম বাদ্যযন্ত্ৰটোৰ নাম কি?
উত্তৰ : বাঁহী

২। গামোচাৰ আন এটা নাম কি?
উত্তৰ : অঙ্গোচ্ছা।

সংগ্ৰাহক : কৃষ্টি ৰাজ
স্নাতক প্ৰথম ষান্মাসিক

# সু-প্ৰশাসন বা ভাল শাসন ঃ এটি অনুভৱ

—ড° গুনেশ্বৰ ডেকা
সহকাৰী অধ্যাপক (মুৰব্বী),
ৰাজনীতি বিজ্ঞান বিভাগ

**সু-প্ৰশাসনৰ ধাৰণা ঃ**

একবিংশ শতিকাৰ, লোক প্ৰশাসনৰ গুৰুত্বপূৰ্ণ দিশটো হৈছে সু-প্ৰশাসন। সু-প্ৰশাসন অথবা ভাল শাসন নিজেই এক বিশেষণীয় গুণবাচক শব্দ, যি প্ৰশাসনৰ ভাল দিশৰ কথা সাধাৰণ অৰ্থত সূচিত কৰিছে। শাসন, প্ৰশাসন অথবা গভৰ্ণেন্সৰ ধাৰণা চৰকাৰৰ নিয়মীয়া কাম-কাজৰ ধাৰণাৰ মাজত সীমাবদ্ধ নহয়। এই ধাৰণা সেই সকলোবোৰ পদ্ধতি আৰু অনুষ্ঠানসমূহক সামৰি লয় যাৰ জৰিয়তে নাগৰিক, নাগৰিক সমাজ অথবা গোটসমূহে তেওঁলোকৰ স্বাৰ্থ চিহ্নিত কৰে, আইনৰ অধিকাৰ উপভোগ কৰে, নিজৰ দায়িত্ব পালন কৰে অথবা নিজৰ মাজৰ পাৰ্থক্য বা বিবাদ নিবাময়ৰ ব্যৱস্থা কৰে। শাসনৰ এই পৰিক্ৰমাত প্ৰশাসনিক, অৰ্থনৈতিক, সামাজিক, আইনগত, ৰাজনৈতিক আদি বহুতো ধৰণৰ কাৰ্য-কলাপ নিহিত হৈ থাকে যি সমূহৰ অবিহনে নগৰিকৰ জীৱন-ধাৰণৰ মানদণ্ড বিকাশৰ কাৰণে আঁচনি প্ৰস্তুত আৰু ৰূপায়ণ কৰাটো সম্ভৱ নহয়।

এনে দৃষ্টিভংগীৰে সু-প্ৰশাসন বুলিলে এক দায়বদ্ধ, উত্তৰদায়ী, দক্ষ, অংশগ্ৰহণকাৰী, ঐক্যভিত্তিক বা সহমত ভিত্তিক, ন্যায়সংগত আৰু স্বচ্ছ শাসন পদ্ধতিক বুজা যায় যি সৰ্বোপৰি আইনৰ শাসন মানি চলে। এই শাসনে জনগণৰ সবলীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ইয়াত সমাজৰ অল্প সংখ্যকৰ মতামতকে গুৰুত্ব সহকাৰে গ্ৰহণ কৰা হয় আৰু সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াত সমাজৰ সকলোতকৈ অৱহেলিত বা অসুৰক্ষিত জনৰ মতামতকো গুৰুত্ব প্ৰদান কৰা হয়।

**সু-প্ৰশাসনৰ বৈশিষ্ট্যসমূহ ঃ**

বহু দেশত প্ৰশাসন অকামিলা আৰু দক্ষতাহীন হৈ পৰাৰ পৰিপ্ৰেক্ষিতত ভাল প্ৰশাসনৰ ধাৰণাই জন্ম লোৱা বুলি ক'ব পাৰি। বিশেষকৈ অনুন্নত আৰু উন্নয়নশীল দেশত ৰাজহুৱা পুঁজিৰ অপব্যৱহাৰ, লুণ্ঠন, ৰঙা ফিতাৰ মেৰপাক, ক্ষমতাৰ দুৰ্ব্যৱহাৰে চৰম সীমা অতিক্ৰম কৰাৰ পাছত সু-প্ৰশাসন অবিহনে উন্নয়নৰ গতি স্তব্ধ হোৱাৰ উপক্ৰম হ'ল। তেনে সময়তে বিশ্ব বেংকে নিজৰ বিভিন্ন নথিত সু-প্ৰশাসন সম্পৰ্কে বিস্তৃত আলোচনা আৰম্ভ কৰে বিশ্ব বেংকৰ ওপৰিও সু-প্ৰশাসনৰ ওপৰত কমনৱেলথ অৱ্ নেচন্‌ছয়ে কেতবোৰ নীতিৰ বিষয়ে উল্লেখ কৰিছে। ভাৰতবৰ্ষৰ বহুবোৰ অধ্যয়নৰ লগে লগে দ্বিতীয় প্ৰশাসনিক সংস্কাৰ আয়োগে স্থানীয় প্ৰশাসনৰ ওপৰত ইয়াৰ ষষ্ঠ প্ৰতিবেদনত সু-প্ৰশাসনৰ বৈশিষ্ট্য সম্পৰ্কে বিতংকৈ আলোচনা কৰিছে। এনে এক পৃষ্ঠভূমিতে সু-প্ৰশাসনৰ বৈশিষ্ট্যসমূহ এনেদৰে উল্লেখ কৰিব পৰা যায়—(১) অংশগ্ৰহণ, (২) আইনৰ শাসন, (৩) স্বচ্ছতা, (৪) উত্তৰদায়ী, (৫) সহমতভিত্তিক বা ঐক্যভিত্তিক, (৬) ন্যায়পৰায়ণতা, (৭) দক্ষ, (৮) সুকৌশলী দৃষ্টি, (৯) ৰাজনৈতিক দায়বদ্ধতা, (১০) আমোলাতান্ত্ৰিক, (১১) মানৱাধিকাৰ, (১২) তথ্য লাভৰ স্বাধীনতা, (১৩) মত প্ৰকাশৰ স্বাধীনতা।

**সু-প্ৰশাসনৰ প্ৰত্যাহ্বান সমূহ ঃ**

সু-প্ৰশাসন গঢ়ি তোলাৰ বাবে বিভিন্ন ৰাষ্ট্ৰই আন্তৰ্জাতিক বা ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন ধৰণৰ আলোচনা-বিলোচনা অনুষ্ঠিত কৰিছে। কিন্তু





সকলোৱে উপলব্ধি কৰিব পাৰিছে যে নাগৰিকসকলক এক ন্যায়িক, মুক্ত আৰু সমতা থকা সমাজ প্ৰদান কৰা অতি সহজ কথা নহয়। সু-প্ৰশাসন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বিভিন্ন উপাদানে বাধাৰ সৃষ্টি কৰিছে। ইয়াৰ ভিতৰত উল্লেখনীয় কেইটা হৈছে।

(ক) ভ্ৰষ্টাচাৰ
(খ) জনসংখ্যা বৃদ্ধি
(গ) হিংসাৰ অপসংস্কৃতি

**ভাৰতীয় সমাজ আৰু সু-প্ৰশাসন ঃ**

বেদান্ত অনুসৰি বিশ্ব ব্ৰহ্মাণ্ডৰ এজন মাত্ৰ নিয়ন্তা (সত্য এক অৱতাৰ বা ৰূপান্তৰ ভিন্ন ৰূপ) ৩ জন মহাগুৰু (৩ টা বৃহত বিভাগ) কাৰ্যপালিকা বা বিষ্ণুৰূপ, ন্যায়পালিকা বা শাস্তি বিধানৰ ৰুদ্ৰ বা মহেশ) আৰু আইনপালিকা বা ব্ৰহ্মা ৰূপ যি প্ৰজা সৃষ্টি বা আইন ৰচনা কৰে। তিনিজন মহাগুৰু বা বিভাগৰ দ্বাৰা শাসন কৰাটোকে বৈদিক কালৰ সু-প্ৰশাসনৰ এটি নমুনা বুলি ক'ব পাৰি।

পঞ্চমহাভূত বা মহাতত্ত্ব, আকাশ, বায়ু, অগ্নি, পানী আৰু মাটি এই পাঁচটা গোটেই পৃথিৱীৰ শাসন কৰোঁতা। ৫ টা তত্ত্ব যেনেকৈ অতি প্ৰয়োজন ঠিক তেনেকৈ ভাৰতীয় ৰাষ্ট্ৰীয় সমাজ জীৱনটো গুৰু, দেৱ, নাম, ভকত আৰু সংগ অতি প্ৰয়োজন। এনেকৈয়ে ভাৰতীয় সমাজ প্ৰতিষ্ঠা হৈছে। এই পঞ্চ মহাতত্ত্বৰ গৰাকী হৈছে শিৱ। ভাৰতীয় জীৱন ব্যৱস্থাৰ এবাব নোৱাৰা তত্ত্বই হৈছে 'শিৱ তত্ত্ব'। সেই কাৰণে শিৱ স্তৱত কোৱা হয়, 'হে শিৱ মহাৰাজ, তোমাক নমস্কাৰ, পৃথিৱীৰ লোকসকলে তোমাকে বিশ্ব-বন্দন বিশুদ্ধ ৰূপ বুলি বন্দনা কৰে, তুমিয়েই লোকসকলৰ সংস্কাৰক, তুমিয়েই জনগণৰ অধিদাতা, গো-ব্ৰাহ্মণ পালন কৰোতা, তুমিয়েই সাধুসকলৰ ত্ৰাণকৰ্ত্তা, তুমিয়েই জনতাৰ মতদাতা, বন্ধুত্বৰ গৰাকী তুমিয়েই। সেয়ে, তোমাক নমস্কাৰ কৰো'।

'মহাৰাজ হিচাপে ৰাষ্ট্ৰৰ দুষ্ট অনিষ্ট কাৰী সকলক নাশ কৰোঁতা, দুৰ্ব্বলীৰ বলদাতা, উদ্যম কৰোঁতা, বীৰত্ব প্ৰদান কৰোঁতা, দেশৰ অধিকাৰী, জগৎ ৰক্ষক, দুষ্টক তথা সন্ত্ৰাস কৰোতাক দমন কৰোঁতা, সকলো আশাৰ পূৰণ কৰ্ত্তা, এটি নিষ্কলংক পূণ্য ৰূপ আৰু পৃথিৱীৰ পৰমবীৰ হৈ শত্ৰু নাশ কৰোঁতা, তুমিয়েই পৃথিৱীৰ মানৱৰ কল্যাণকামী নীতি নিৰ্দ্ধাৰক'।

১। আজি বিশ্ব ৰাজনীতিত যিটো বহনক্ষম বিকাশৰ কথা কোৱা হৈছে এই বিকাশৰ কথা ঋষি-মুণিসকলে সাধনা বা গৱেষণাৰ জৰিয়তে যজ্ঞ অনুষ্ঠান কৰি দেখুৱাই থৈ গৈছে। যজ্ঞ হৈছে এক বিজ্ঞান; পৃথিৱীৰ শস্যসমূহ নদন-বদন হ'বৰ বাবে বৃষ্টি বা জল প্ৰয়োজন। এই যজ্ঞ অনুষ্ঠানৰ দ্বাৰা আকাশ মণ্ডল সন্তুষ্ট হয় আৰু বৃষ্টি প্ৰদান কৰে। জীৱবিলাকৰ শান্তি হয়। এয়া হৈছে, নিয়তিৰ বিধানৰ নিৰাময় উপায়। সৃষ্টিৰ উপাদানসমূহ যাতে কল্যানময়ী হয়; কাৰো অন্যায় নকৰে, জীৱসমূহ যাতে শান্তিৰে বাস কৰে তাৰেই এক সৃষ্টিশীল প্ৰচেষ্টা। এনে কৰিলে ভৱিষ্যত প্ৰজন্মৰ সু-ৰক্ষিত হয়।

২। ৰামায়ণ ঃ ৰামায়ণৰ যুগতো সন্ত্ৰাসবাদ বা অপশাসনৰ প্ৰয়োগৰ কথা উল্লেখ কৰিছে। এই সন্ত্ৰাবাদ ৰুদ্ধ কৰিবৰ কাৰণে ঋষি বিশ্বামিত্ৰই ৰাজপ্ৰশাসনৰ পৰা ৰাম আৰু লক্ষণক বিচাৰিছিল। লগে লগে হিমালয়ৰ পাদ দেশত শান্তি বিৰাজমান হৈছিল। অপশাসনৰ অধিকাৰী ৰাৱণক বধ কৰি জম্বু দ্বীপত শান্তি আৰু সমৃদ্ধি ঘুৰাই আনিছিল।

৩। ৰাজশাসনৰ কথা ৰাখিব গৈ যুৱৰাজ ৰামচন্দ্ৰই ৰাজগাদী ত্যাগ কৰিছিল। জনসাধাৰণৰ দৃষ্টিত নিষ্কলংক হ'বৰ বাবে নিজ পত্নীক অগ্নি পৰীক্ষা কৰিছিল। শেষত, এগৰাকী সাধাৰণ নাগৰিক ধোবা-ধোবুনীৰ সমালোচনা সহ্য কৰিব নোৱাৰি নিজৰ পত্নীক বনবাসত দিছিল। অৰ্থাৎ ৰাজসুখ ত্যাগ কৰিছিল। ইয়াতকৈ সু-প্ৰশাসন কি হ'ব পাৰে। এজন সাধাৰণ নাগৰিকৰ সমালোচনাৰ পৰা মুক্ত হ'বৰ বাবে ৰাজসুখ ত্যাগ কৰিছিল।

৪। মহাভাৰত ঃ মহাভাৰতৰ সময়ত অপশাসনৰ

কাৰ্যকাৰিতা বিস্তৰ ৰূপত দেখা গৈছিল। হস্তিনাপুৰৰ যুৱৰাজ দুৰ্যোধনে নিজৰ স্বাৰ্থ পূৰণৰ বাবে ৰাজবিষয়াক ব্যৱহাৰ কৰিছিল। তেওঁৰে নেতৃত্বত ৰাজসভাৰ মজিয়াত এগৰাকী ৰাজ পৰিয়ালৰ বোৱাৰী বা নাৰী (দ্ৰৌপদীক) বস্ত্ৰ হৰণৰ অপচেষ্টা কৰা হৈছিল, ইয়াতকৈ নিৰ্লজ অপশাসন কি হ'ব পাৰে।

একেখন মহাভাৰততে আকৌ সু-শাসন সুন্দৰ কাৰ্যকাৰিতা বিচাৰি পোৱা যায়। মৌখিক হ'লেও চুক্তিৰ আধাৰত ৰজা যুধিষ্ঠিৰে পৰিয়ালক ৰাষ্ট্ৰৰ আইনৰ ওচৰত সমৰ্পণ কৰিছিল। ৰাজগাদী ত্যাগ কৰি ১৩ বছৰ বনবাস খাটিছিল। মহাভাৰতৰ যুদ্ধৰ ভয়াবহতা অনুধাৱন কৰি হিন্দু সাগৰত সমস্ত অস্ত্ৰ-শস্ত্ৰ বিসৰ্জন দিছিল। ইয়াতকৈ আৰু সু-শাসন কি হ'ব পাৰে।

৫। ভাগৱত ঃ একেজন লিখকে লিখা ভাগৱত শাস্ত্ৰত অন্যায়ৰ বিৰুদ্ধে শ্ৰীকৃষ্ণক প্ৰতিষ্ঠা কৰি জৰাসন্ধ আৰু কংসৰ নিচিনা অপশাসনৰ নায়কক বধ কৰা হৈছে। দৰিদ্ৰ, নিচলা, দুৰ্বল, অসহায় নিৰীহ লোকৰ মুকতামণি হৈ শ্ৰীকৃষ্ণই মথুৰা আৰু গকুলবাসীক ৰক্ষা কৰিছিল।

আধুনিক ৰাজনীতি বিজ্ঞানৰ বৈজ্ঞানিক বিশ্লেষক কাৰ্লমাক্সতকৈ আগুৱাই গৈ শ্ৰীকৃষ্ণই অপশাসনক সমুলে ধ্বংস কৰিছিল। ইয়াতকৈ আৰু সু-শাসন কি থাকিব পাৰে। ইতিহাসে ঢুকি পোৱা সময়ত সম্ৰাট অশোকৰ দিনত সুশাসন স্পষ্ট হৈ দেখা দিছিল। অহিংসা আৰু শান্তি দুত হিচাপে নিজৰ সন্তানক পঠিয়াইছিল। নিজ দেশতো শান্তি আৰু সমৃদ্ধিৰ কাৰণে ব্যাপক আয়োজন কৰিছিল। ইয়াতকৈ আৰু সুশাসন কি থাকিব পাৰে।

৬। মোগলৰ সময় ঃ মধ্যযুগৰ শেষৰ ফালে মোগলৰ শাসন কালত সুশাসন নাই বুলি ক'ব পাৰি। ৰাজনৈতিক শাসনত কিছুমান বিকাশ হয়। কিন্তু সু-শাসন একেবাৰে নাছিল। এই সময়ছোৱাত ভাৰতৰ প্ৰখ্যাত বিশ্ববিদ্যালয় আৰু বিখ্যাত গ্ৰন্থসমূহ পুৰি শেষ কৰা হৈছিল। বৃটিচ ৰাজৰ সময়ত সু-শাসনৰ বুলি ক'বলৈ একোৱেই নাছিল। এটি বেপাৰী গোষ্ঠীয়ে সমগ্ৰ ভাৰতবৰ্ষক সৰ্বনাশ কৰিছিল। ভাৰতৰ গৰিমাময় সম্পদ আৰু আৰ্থিক উৎসসমূহ নিজ দেশলৈ নি সেই দেশক চহকী কৰিছিল। কেৱল দুৰ্নীতি আৰু ভেদাভেদ জ্ঞানৰ সঁফুৰা ভাৰতত বিলাই থৈ গৈছিল।

মৰিগাঁও জিলাৰ প্ৰশাসনৰ স্বৰূপ ঃ

বৰ্তমান ৰাজনীতি বিজ্ঞানৰ প্ৰগতিশীল দিশটো হৈছে জনসাধাৰণৰ ওচৰ চপা আৰু নিঃকিন লোকৰ হৈ কাম কৰা। যেতিয়া দেশত সাংঘাতিক ধৰণৰ বিপদ আছে, ৰাষ্ট্ৰৰ প্ৰতি ভাবুকি আছে, তেতিয়া ৰাজনীতি বিজ্ঞানে মৌনব্ৰত অৱলম্বন কৰিব নোৱাৰে। পাৰমাণৱিক বোমাৰ ভয়াবহতা আৰু সন্ত্ৰাসবাদৰ নৃশংসতাৰ বিৰুদ্ধে ৰাজনীতি বিজ্ঞানে মাত মাতিছে। ইয়াৰ বিকল্প ৰাজনৈতিক বিজ্ঞানীসকলে প্ৰকৃত মূল্যবোধৰ ওপৰত গুৰুত্ব দিছে। অৰ্থাৎ বাস্তৱ দুঃখ লগা সমস্যাই থিয় দিলে তাৰ হৈ ৰাজনীতিৰ চিন্তাবিদসকলে সক্ৰিয়ভাৱে মাত দিয়াটো এটি দায়িত্ব। এই ক্ষেত্ৰত, ৰাজনৈতিক তত্ত্ব কাহিনীত মূল্যবোধ নিৰপেক্ষ হ'ব নোৱাৰে, এটি সাকাৰাত্মক ভূমিকা লবই লাগিব।

ৰাজনীতি বিজ্ঞানৰ এটি গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হৈছে লোক প্ৰশাসন। লোক প্ৰশাসনৰ কেৱল আন্তঃগাঁথনিৰ সৈতে সক্ৰিয় ভাৱে কাম কৰাকৈ এটি চৰকাৰী মানসিকতা থাকিব লাগিব। অৰ্থাৎ সেৱাৰ মনোভাৱেৰে; স্বচ্ছ বা নিকা ভাৱেৰে দৰিদ্ৰলোকৰ সেৱা কৰাৰ মানসিকতা থাকিব লাগিব। তেতিয়া নিশ্চয় অসহায় লোকে সকাহ পাব। লোক প্ৰশাসন সু-শাসন হোৱাৰ ই হৈছে উত্তম পথ। পৃথিৱীত, ভাৰতত, অসমত আৰু মৰিগাঁও জিলাত অনেক সমস্যা আছে, তাৰ ভিতৰত আমি মৰিগাঁও লোক প্ৰশাসনত সু শাসনৰ নমুনা আছে নে নাই এটি সহজ বৰ্ণনা বা বিশ্লেষণ কৰিব বিচাৰিছোঁ। মৰিগাঁৱৰ আটাইতকৈ দুঃখলগা বিভাগটো হৈছে যাতায়ত বিভাগ। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগী পথ, জাগীৰোডৰ পৰা ভকতগাঁও হৈ মৰিগাঁও সদৰ







স্থানলৈকে যিটো পথ নবীকৰণ কৰিবলৈ কলিকতাৰ ঠিকাদাৰ গোষ্ঠীক অনুমোদন কৰা হৈছিল, আজিলৈকে হৈ নুঠিল। প্ৰায় ৪ বছৰ উকলি গ'ল জনসাধাৰণে পালে মাথো শাৰিৰীক আৰু মানসিক কষ্ট। এই ৰাস্তাটো লাখৰো অধিক লোকৰ অহা-যোৱাৰ পথ। ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ সময়ত সময়মতে কলেজ নাপায় গৈ, ৰোগী সময়মতে চিকিৎসালয় নাপায়গৈ। গাৱলীয়া ব্যৱসায়ীসকলে অধিক সময়ত উৎপাদিত সামগ্ৰী বজাৰত নিব নোৱাৰে। ড্ৰাইভাৰে ৰাস্তাত গাড়ী নিবলৈ টান পোৱা হ'ল। গাড়ীত যাত্ৰা কৰিলে শিশুসকলৰ সৰ্বশৰীৰ কম্পন হয়। ৰাস্তাৰ কাষত আৰু মাজত মস্ত-মস্ত গাঁত, ক'ৰবাত এক ফুট, ডেৰ ফুট দ গাঁত। গৰু আৰু ম'হৰ গাড়ীও যাব নোৱাৰে, এনে বিলাক মন্দাৱস্থা হোৱা স্বত্বেও জিলা প্ৰশাসনৰ গোটেইবোৰ ইমান নিষ্ক্ৰীয় কিয়?

১। মৰিগাঁও জিলা প্ৰশাসনৰ ডাঙৰ সমস্যাটো হৈছে, গৰাখহনীয়া সমস্যা, যাৰ সমাধান অবিহনে হয়তো জিলাখনৰ অস্তিত্বই বা থাকিব ক'ত।

২। ৰাস্তা-পদূলিৰ দূৰাৱস্থা, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা সংযোগী ৰাস্তা মৰিগাঁও সদৰলৈকে, মৰিগাঁও সদৰৰ পৰা ঔজাৰি হৈ কোৱৰগাঁৱলৈকে ৰাস্তাৰ যি মন্দাৱস্থা, ই একবিংশ শতিকাৰ মানৱ বিকাশৰ এক চৰম অপমান।

৩। মৰিগাঁও, বাহ্লাঘাটহৈ ভূৰগাঁৱলৈকে যিটো পকী ৰাস্তা একেবাৰে জৰাজীৰ্ণ অৱস্থা। পৃথিৱীৰ কোনো এখন জিলাত জন্ম গ্ৰহণ কৰাটো নাগৰিকসকলৰ পাপনে, অপৰাধ ক'বকে নোৱাৰি। এই দুয়োটাই মৰিগাঁও জিলাৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। কিন্তু কথাটো হৈছে, ওপৰত উল্লেখ কৰা পথৰ মেৰামতি বা ইয়াৰ উন্নয়ন কোনে কৰিব? নিশ্চয় চৰকাৰখনেই দায়বদ্ধ। ইমানবিলাক পি. ডব্লিও. ডি. বিভাগত বিষয়ববীয়াৰ ডি. চি. জন গম নাপায় কিয়? লগতে সু-নাগৰিক সকল সু-প্ৰশাসনৰ প্ৰতি সজাগহৈ থাকিব লাগিব।

৪। আনগিনে চাওঁক পৰিতবা দৰ্শন কৰিবলৈ অহা পৰ্যটকসকলৰ কি যে আলৈ-আহুকাল অৱস্থা। লগতে ছাত্ৰ-ছাত্ৰীসকলৰো অৱস্থা নাই। ৰাস্তা ইমান বেয়া যে কল্পনা কৰিব নোৱাৰি। মূল ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা চামতা আৰু কলংপাৰ হৈ পৰিতবাৰ পশ্চিম কাষেদি যিটো ৰাস্তা আহিছে, সেই ৰাস্তাটো পৰ্যটকসকলৰ কাৰণে বহুখিনি সুবিধা পৰিতবাৰ এশিঙিয়া গড় চাবৰ বাবে। কেৱল গড়েই নহয়; বনৰীয়া মহ আৰু বনৰীয়া হাঁহবোৰ চাবলৈ বৰ সহজ। যিসকলে গুৱাহাটীৰ পৰা উত্তৰ ফালেদি আহে আৰু মৰিগাঁও সদৰৰ পৰা উত্তৰ-পূব ফালেদি আহে, তেওঁলোকে জীপ ছাফাৰী বা হাতী ছাফাৰীৰ জৰিয়তেও চাব পাৰে। কিন্তু খোজকাঢ়ি নিচেই ওচৰৰ পৰা পৰিতবা চোৱাৰ আমেজ তাত নাই। ধূলিৰ পৰা খোজকাঢ়িব নোৱাৰি। ব্যক্তিগত গাড়ীও নিব নোৱাৰি। ইয়াৰ বাবে দায়ী কোন? মৰিগাঁও জিলা প্ৰশাসন নহয়নে বাৰু? ৰেঞ্জাৰজনে এইবিলাক দূৰৱস্থাৰ বিষয়ে মন্ত্ৰী-বিধায়কক নকয় কিয়? মৰিগাঁও জিলাৰ সুন্দৰ পৰিচয় বুলি ক'লে পৰিতবা আৰু মায়ঙকেই বুজায়। এনেস্থলত প্ৰশাসনৰ কৰণীয় আছে। কিন্তু জিলা প্ৰশাসন এই ক্ষেত্ৰত সম্পূৰ্ণ বিফল। কেৱল সু-প্ৰশানৰ জৰিয়তেহে এই সমস্যা সমাধান কৰিব পাৰি।

৫। আজিও অৱসৰ প্ৰাপ্ত শিক্ষকে পেঞ্চন পাবলৈ উৎকোচ দিব লাগে। ডি. আই. বা আই. এচ. কাৰ্যালয়ত কোনোৱাই ঘোচ লয়, নহ'লে বিলখন পেলাই থৈ দিয়া হয়।

৬। আৰক্ষী থানাৰ কথা ক'বই নোৱাৰি। আমি কেইবাজনো ভুক্তভোগী লোকৰ লগত কথা পাতিছোঁ। তেওঁলোকে কৈছে যে সঁচাই হওঁক বা মিছাই হওঁক, থানাত সোমালেই পইচা লেনদেনৰ কথা আহি পৰে। এই পৰম্পৰা বৃটিচৰ নে, আমাৰ নিজৰ সৃষ্টি। কথাটো হৈছে, যিসকল আৰক্ষীলোকে এনে কৰ্ম কৰে, তেওঁলোকক নাকি লগাব কোনে? সেয়ে, আমি ভাবো, প্ৰত্যেকখন আৰক্ষী চকীৰ বাবে এটি হেল্প

লাইনৰ নম্বৰ সকলোৱে বাবে উপলব্ধ হ'ব লাগে। এই নম্বৰ বিধায়ক বা গৃহমন্ত্ৰী সচিবৰ সৈতে সংযোগী হ'ব লাগে। চৰকাৰে তৎক্ষণাত সেই নম্বৰৰ পৰা ফোন কলক গুৰুত্ব সহকাৰে লোৱা উচিত।

বাস্তাবিলাক ইমান বেয়া হ'লে, গড়কাপ্তানি বিভাগে গম পাব লাগে। এই বিভাগে গম পাব লাগে মূল সংযোগী কোনটো ৰাস্তাত কেইটা বিয়াগোম গাঁত বা গৰখাৱৈ আছে। এই বিভাগে জিলা উপায়ুক্তক জনাব লাগে। জিলাধিপতিয়ে বিভাগীয় সমষ্টিৰ বিধায়ক বা মন্ত্ৰী মহোদয়ক জনসাধাৰণৰ এই দুৰৱস্থাক বিশেষভাৱে কেৱল জনোৱাই নহয়, তাৰ প্ৰতিকাৰ কৰাৰ বিষয়ে আলোচনা কৰি চৰকাৰৰ পৰা আৰ্থিক অনুদান আনিব লাগে। ডি. চি.ৰ হাতত সামগ্ৰিক উন্নয়নৰ সৰ্বাত্মক পৰিকল্পনা বিশেষ 'জুৰি' থাকিব লাগে যাতে স্থানীয় লোকৰ দুৰাৱস্থা কম দিনৰ ভিতৰতে মষিমুৰ হয়।

এতিয়া কথাটো হ'ল, যদি এইখিনি কৰিবও নোৱাৰে তেতিয়াহ'লে আন্তঃগাথনি থাকিলে নহ'ব, চৰকাৰীভাৱে জনসাধাৰণৰ সেৱা কৰা এটি সুস্থ-সবল মানসিকতা থাকিব লাগিব। পিছ পৰা জিলা হিচাপে, মৰিগাঁৱৰ লোক প্ৰশাসনৰ পৰা ৰাইজে বহুত আশা কৰিছে। কিন্তু সেই বিলাক হৈ উঠা নাই।

মৰিগাঁও জিলাৰ ইমান বিলাক বিভাগ আছে, তাৰে ভিতৰত সমন্বয় নাথাকিলে সু-প্ৰশাসন বা ভাল প্ৰশাসন ক'ৰপৰা হ'ব। ইমান এটা ডাঙৰ বিভাগ আছে, তাৰে ভিতৰত সমন্বয় নাথাকিলে সু-প্ৰশাসন বা ভাল প্ৰশাসন ক'ৰপৰা হ'ব। ইমান এটা ডাঙৰ বিভাগ, পি ডব্লিউ ডি. থকাৰ পিছত যদি সদৰৰ আশে-পাশে থকা ৰাস্তাবোৰত বৰ বৰ গাঁত থাকে, তেতিয়াহ'লে এই বিভাগবোৰ আছে কিয়? তাৰ ব্যৱস্থা আকৌ জিলা প্ৰশাসনেই কৰিব লাগিব।

তেতিয়াহ'লে লোক প্ৰশাসন আৰু ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধিৰ প্ৰয়োজন বা ক'ত। সাংবিধানিক জ্ঞান নথকা, সামাজিক দায়বদ্ধতা নথকা, সমাজ সেৱাৰ মানসিকতা নথকা প্ৰশাসনেই হওঁক বা ৰাইজৰ প্ৰতিনিধিয়েই হওঁক, জনসাধাৰণৰ কিবা লাভ হ'বনে? চৰকাৰ হিচাপে কোনো চৰকাৰকে আমি দোষ দি বিচৰা নাই। চৰকাৰ আহিব আৰু যাব, কিন্তু ৰাইজ কাম কৰাৰ ক্ষেত্ৰত প্ৰশাসন আৰু জনসাধাৰণৰ মাজ যেন সমন্বয় আৰু যোগ-সূত্ৰৰ অভাৱ হৈছে। ৰাইজ প্ৰতিনিধিজন যদি নিৰ্বিবাম চৰ্দাৰ আৰু ৰাইজক কেকে নকৰা বিধৰ হয়, তেতিয়াহ'লে লোক প্ৰশাসন ভাঃ শাসন বা সু-শাসন হ'ব নোৱাৰে।

সদৌ শেষত এটা কথা ক'ব পাৰি যে 'ৰাইজে ৰজা'। ৰাইজ সচেতন হ'লে, উন্নয়ন নোহোৱাকৈ নাথাকে। কোনো দুষ্ট চক্ৰক প্ৰশ্ৰয় দিব নালাগে। স আৰু সচেতন ব্যক্তি সকল ওলাই আহিব লাগে। ৰাইজ হৈ মাত মাতিব লাগে। ব্যক্তিগত স্বাৰ্থতকৈ সমাজ স্বাৰ্থক অধিক গুৰুত্ব দিব লাগে। বাৰে বাৰে কোৱ সত্বেও যদি কোনো ৰাইজৰ প্ৰতিনিধিয়ে গুৰুত্ব নিদিয়ে বা ৰাইজৰ কাম নকৰে, তেতিয়াহ'লে তেওঁক ২য় বাৰৰ প্ৰতিনিধি হিচাপে অহাটো বন্ধ কৰি দিব লাগে।

ৰাইজৰ নিৰপেক্ষ সজাতি দলসমূহক প্ৰশাসনী মুৰব্বীৰ ওচৰলৈ যাব পৰা, ক'ব পৰা সহজ উপা কৰাটো নিতান্ত প্ৰয়োজন। নিজে নিৰ্বাচিত কৰ প্ৰতিনিধিজনক যদি ৰাইজে লগ কৰিব নোৱাৰে তেতিয়াহ'লে গণতন্ত্ৰ আৰু ৰাজতন্ত্ৰৰ মাজত পাৰ্থক থাকিবো জানো। এখন নিৰ্বাচিত চৰকাৰ থাকোতে ৰাইজে যদি জীয়াতু ভুগিব লগীয়া হয়, তেতিয়াহ'লে চৰকাৰখন ইমান দুৰৈত থাকে কিয়? আমাক লাগে সু-প্ৰশাসন, ভাল প্ৰশাসন। চৰকাৰে জনসাধাৰণৰ কথা মৰ্মে মৰ্মে চিন্তা কৰক, মুহূৰ্তে মুহূৰ্তে কল্যাণ কাম পৰিকল্পনা হাতত লওঁক। লগতে দশৰ নিৰাপত্ত সু নিশ্চিত কৰক। মূল নাগৰিকৰ নিৰাপত্তা গঢ়ি তোলক। এয়া আমাৰ কাম্য; ভাল শাসন হ'লে, ৰাজনীতি বিজ্ঞানৰ উদ্দেশ্য সফল হ'ব।

*(পাঠ্যপুথি আৰু ব্যক্তিগত লোকৰ সাক্ষাৎকাৰৰ সহায় লোৱা হৈছে।)*





# অসমৰ পৰ্যটন উদ্যোগ

## কৰ্মসংস্থান সৃষ্টিৰ এক সম্ভাৱনাময় ক্ষেত্ৰ

—ড° উৎপল নাথ
সহকাৰী অধ্যাপক, অৰ্থনীতি বিভাগ

বৰ্তমানৰ প্ৰেক্ষাপটত অসমৰ অৰ্থনীতিৰ জ্বলন্ত সমস্যাবোৰৰ ভিতৰত নিবনুৱা সংস্থাপনৰ সমস্যাটো নিঃসন্দেহে প্ৰথম স্থানৰ সমস্যা হ'ব। এই সমস্যাটো যোৱা কেইটামান দশক ধৰি বৰলুইতৰ দুয়োপাৰে লেকাম ছিগা ঘোঁৰাৰ দৰে দৌৰিব লাগিছে। লেকাম লগোৱাৰ সাধ্য কাৰোৰে হোৱা নাই। বছৰি লাখ লাখ হিচাপত বৃদ্ধি পাইছে নিবনুৱাৰ সংখ্যা। সেইমতে নিয়োগৰ সুবিধা সৃষ্টিত প্ৰতিখন চৰকাৰ চূড়ান্তভাৱে বিফল হৈছে। কিছুসংখ্যকক চৰকাৰী চাকৰি দিয়েই নিবনুৱা সমস্যাটোৰ সমাধান কোনো চৰকাৰে অৱশ্যেই কৰিব নোৱাৰে। নিয়োগৰ সুবিধা সৃষ্টিৰ বাবে বিকল্প ক্ষেত্ৰৰ সন্ধান চলাব লাগিব। বিকল্প ক্ষেত্ৰও বহুত আছে। অগ্ৰাধিকাৰৰ ভিত্তিত বাছি উলিয়াব জানিব লাগিব। এই ক্ষেত্ৰত এতিয়াও এলাগি হৈ পৰি থকা অসমৰ বিশাল পৰ্যটন ক্ষেত্ৰখনেই নিঃসন্দেহে হ'ব প্ৰথমস্থানৰ উপযুক্ত সম্ভৱনাময় ক্ষেত্ৰ।

বৰ্তমান সমগ্ৰ বিশ্বতে পৰ্যটনৰ ক্ষেত্ৰতখন কৰ্মসংস্থান সৃষ্টিৰ এখনি ফলপ্ৰসূ ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। বিশ্বৰ মুঠ শ্ৰমিক শক্তিৰে প্ৰায় ১২ শতাংশক অৰ্থাৎ প্ৰায় ৩০০ নিযুত লোকক পৰ্যটন ক্ষেত্ৰখনেই নিয়োগৰ সুবিধা দিছে। বিশ্বৰ লাভজনক আৰু সম্ভাৱনাময় উদ্যোগসমূহৰ তালিকাত যিকেইটা উদ্যোগে অন্যতম স্থান দখল কৰিছে, তাৰ ভিতৰত পৰ্যটন উদ্যোগো এটা। বিশ্বৰ সফল উদ্যোগপতি বিল গেট্ছেও এখন দেশৰ অৰ্থনীতিৰ গতি সলনি কৰিব পৰা তিনিটা প্ৰভাৱশালী উদ্যোগৰ ভিতৰত পৰ্যটনক এটা উদ্যোগ বুলি কৈছে। মালয়েছিয়া, ছিংগাপুৰ আদি সৰু সৰু দেশেও কেৱল পৰ্যটন উদ্যোগ বিকাশৰ জৰিয়তেই নিজৰ দেশৰ অৰ্থনীতিৰ ভেটি সুদৃঢ় কৰিবলৈ সক্ষম হৈছে। ইয়াৰ কাৰণ পৰ্যটন উদ্যোগটো হ'ল প্ৰচুৰ কৰ্মসংস্থান সৃষ্টি কৰিব পৰা আৰু প্ৰচুৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰিব পৰা এটা উৎকৃষ্ট ফলপ্ৰসূ সেৱামূলক উদ্যোগ, যিটো উদ্যোগ গঢ়িবলৈ মূলধন আৰু উচ্চ প্ৰযুক্তিগত জ্ঞানৰ প্ৰয়োজন তুলনামূলকভাৱে কম।

ভাৰতবৰ্ষতো হিমাচল প্ৰদেশ, গোৱা, কেৰালা, উত্তৰাঞ্চল, ছিকিম, জম্মু-কাশ্মীৰ, তামিলনাডু, মহাৰাষ্ট্ৰ, ৰাজস্থান আদি কৰি ভালেকেইখন ৰাজ্যত শেহতীয়াকৈ পৰ্যটন উদ্যোগটো ঠন ধৰি উঠাত সেই সেই ৰাজ্যৰ লগতে সামগ্ৰিকভাৱে দেশখন লাভান্বিত হৈছে। ২০০৫ চনৰ বৰ্ষটোত ৫,৭৩১ মিলিয়ন ডলাৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰি ভাৰতৰ তৃতীয় বৃহত্তম বৈদেশিক মুদ্ৰা অৰ্জনকাৰী উদ্যোগ হিচাপে পৰ্যটন উদ্যোগে স্থান লাভ কৰিছে। বৰ্তমানে ভাৰতৰ সৰ্বমুঠ শ্ৰমিক শক্তিৰ প্ৰায় ১১ শতাংশক অৰ্থাৎ ৪৪ মিলিয়ন লোকক পৰ্যটন উদ্যোগে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিয়োগৰ সুবিধা প্ৰদান কৰিছে।

সমগ্ৰ বিশ্বতে পৰ্যটন উদ্যোগৰ এনে জয়জয় ময়ময় অৱস্থাত খোজত খোজ মিলাই বিশ্বৰ বহুসংখ্যক দেশ, ভাৰতবৰ্ষৰো ওপৰত উল্লেখিত ৰাজ্যবোৰৰ পৰ্যটন উদ্যোগ বিকাশৰ ক্ষেত্ৰত চকুত লগাকৈ আগবাঢ়ি গ'ল, কিন্তু সেইবোৰৰ তুলনাত সেউজময় অসমখন চকুত

লগাকৈ পিছপৰি ৰ'ল। ইয়াৰ কাৰণ উপযুক্ত সময়ত উপযুক্ত চৰকাৰী পৰিকল্পনাৰ অভাৱ আৰু ব্যক্তিগত খণ্ডতো প্ৰয়োজনীয় সচেতনতাৰ অভাৱ। পৰ্যটন উদ্যোগ বিকাশৰ বাবে কি নাই অসমত? বন্য পৰ্যটনৰ পৰা সাংস্কৃতি পৰ্যটনলৈ, ইতিহাস পৰ্যটনৰ পৰা ধৰ্মীয় পৰ্যটনলৈ, নদী পৰ্যটনৰ পৰা চাহ পৰ্যটনলৈ, প্ৰত্নতাত্বিক পৰ্যটনৰ পৰা তীৰ্থ পৰ্যটনলৈ— পৰ্যটনৰ প্ৰায়বোৰ ক্ষেত্ৰৰ বাবে প্ৰয়াজনীয় কেঁচামালেৰে ভৰপূৰ অসম।

বিশ্ববিখ্যাত এশিঙীয়া গঁড়ৰ বাসস্থান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, সত্ৰীয়া সংস্কৃতিৰ ৰাজধানী বিশ্বৰ বৃহত্তম নদীদ্বীপ মাজুলী, কামৰূপৰ বিখ্যাত মা-কামাখ্যা মন্দিৰ, উমানন্দ, বশিষ্ঠ মন্দিৰ, আন্তৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি থকা পক্ষী অভয়াৰণ্য দীপৰবিল, তেজপুৰৰ বিখ্যাত মহাভৈৰৱ মন্দিৰ, অগ্নিগড়, চান্দ-সদাগৰৰ মেৰঘৰ, শিৱসাগৰৰ শিৱদৌল, ৰংঘৰ, কাৰেংঘৰ, ব্যাঘ্ৰ প্ৰকল্পৰ বাবে বিখ্যাত মানাহ ৰাষ্ট্ৰীয় উদ্যান, সোণালী হনুমানৰ বাবে বিখ্যাত কাকৈজান বনাঞ্চল, পক্ষীৰ আত্মহত্যাৰ ৰহস্যৰে ৰহস্যাবৃত জাতিংগা, চম্পাৱতীৰ জলপ্ৰপাত, নলবাৰীৰ বিল্বেশ্বৰ দেৱালয়, শদিয়াৰ কেঁচাইখাঁতী মন্দিৰ, ধুবুৰীৰ মহামায়া মন্দিৰ এছিয়াৰ সৰ্বদীৰ্ঘতম মায়ঙৰ শিলালিপি, গঁড়ৰ ঘনত্বৰ জোখত বিশ্বৰে প্ৰথম স্থানৰ মৰিগাঁৱৰ পবিতৰা অভয়াৰণ্য, হিন্দু-মুছলমান-বৌদ্ধ, ধৰ্মৰ মিলনক্ষেত্ৰত শ্ৰীসূৰ্যপাহাৰ, পূৱৰ সাগৰ মহাবাহুব্ৰহ্মপুত্ৰ ইত্যাদি হ'ল অসমৰ পৰ্যটন সমলবোৰৰ কেইটামান উদাহৰণ। ইয়াৰ উপৰি অসমৰ গাঁৱে-ভূঞে পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ অনেক সাংস্কৃতিক, পুৰাতাত্বিক, প্ৰত্নতাত্বিক আৰু প্ৰাকৃতিক সমল আছে।

পৰ্বত-পাহাৰ, গঁড়, হাতী, বাঘ, জান-জুৰি-নৈ, জনগোষ্ঠীয় বৈচিত্ৰ্যময় সংস্কৃতিৰে চহকী অসমখন স্বৰূপাৰ্থতে বিশ্বৰ পৰ্যটকসকলৰ বাবে ভূ-স্বৰ্গ হ'ব লাগিছিল যদিও অসমলৈ আশানুৰূপ পৰ্যটক নাহে। যিখিনি আহে সেইখিনি উদ্যোগটো বিকাশৰ বাবে যথেষ্ট নহয়। ২০০৫ চনৰ বৰ্ষত অসমলৈ বিদেশী পৰ্যটক আহিছিল মাথোঁ ১০,৭৮২ জন। ৰাষ্ট্ৰীয় হিচাপত সেই বৰ্ষত ভাৰতলৈ অহা বিদেশী পৰ্যটকৰ সংখ্যা আছিল কিন্তু ৩.৯১ নিযুতজন। অৰ্থাৎ ভাৰত ভ্ৰমণৰ বাবে অহা বিদেশী পৰ্যটকসকলৰ আধা অংশও অসম আহি নাপায়। সেই হেতু পৰ্যটন উদ্যোগে ৰাজ্যখনৰ অৰ্থনীতিলৈ বিশেষ বৰঙণি যোগাব পৰা নাই বা আশাব্যঞ্জকভাৱে কৰ্মসংস্থানৰো সৃষ্টি কৰিব পৰা নাই। অসমলৈ পৰ্যটক নহাৰ কাৰণ হিচাপে সন্ত্ৰাসবাদৰ সমস্যাটোক দেখুওৱা হয়। নিশ্চয়কৈ এই কাৰণটো সঁচা। তথাপি মূল কাৰণটো কিন্তু প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱহে। পৰ্যটকে বিচৰা সুবিধাবোৰ আমি দিব পৰা নাই। সুচল যাতায়তৰ ব্যৱস্থা নাই। পৰ্যটনস্থলীবোৰত যোগাযোগৰ প্ৰয়োজনীয় সুবিধা নাই। প্ৰস্ৰাৱগাৰ, শৌচাগাৰৰ সুবিধা নাই। জিৰণি ঘৰ নাই। নিৰীক্ষণ গৃহ নাই। আধুনিক সুবিধাৰে পৰ্যাপ্ত সংখ্যক পৰ্যটক নিবাস নাই। থকাখিনিও অনিয়মীয়া বিজুলী যোগান, পানী যোগান সমস্যাৰে ভাৰক্ৰান্ত। দক্ষিণ ভাৰতৰ ফালে চহৰ-নগৰৰ লগতে গাঁৱৰো ঐতিহাসিক মন্দিৰবোৰ চৰকাৰে সকলো সা-সুবিধাৰে সজাই-পৰাই তুলি পৰ্যটক আকৰ্ষণৰ ব্যৱস্থা কৰিছে। অসমৰ ক্ষেত্ৰত কিন্তু দুখনমান চহৰ-নগৰৰ বাদে গ্ৰামাঞ্চলৰ পৰ্যটন সমলবোৰ অৱহেলিত হৈ পৰি আছে। বুৰঞ্জীয়ে গৰকা কিছুমান গাঁৱলৈ যাবলৈ আজি পৰ্যন্ত সাধাৰণ ৰাস্তা এটিও নাই। অসমৰ পৰ্যটন উদ্যোগ বিকাশৰ ক্ষেত্ৰত আন এটা প্ৰধান অন্তৰায় হ'ল উপযুক্ত বিপণনৰ অভাৱ। অসমখনে নিজৰ ৰূপ-সৌন্দৰ্য নিজেই উপভোগ কৰি আছে। ৰাজ্যখনৰ ৰূপ-লাৱণ্য এবাৰ চাই যাবৰ বাবে বিশ্ববাসীক মাতি আনিবলৈ আমি সক্ষম হোৱা নাই। অসমৰ গাঁৱে-ভূঞে থকা পৰ্যটন সমলবোৰৰ ওপৰত যথাযথ বিপণনৰ অভাৱেই ইয়াৰ মূল কাৰণ। আজিৰ 'গ্লবেল ভিলেজ'ৰ যুগত এই কথা বাণিজ্য সন্মত নহয়। কিছুমান চৰকাৰে প্ৰাকৃতিক পৰ্যটনস্থলীবোৰৰ উপৰি কৃত্ৰিম পৰ্যটনস্থলীও নিৰ্মাণ





কৰিছে। বিপণনৰ যোগেৰে হাজাৰ হাজাৰ পৰ্যটক আকৰ্ষণ কৰি নিজৰ ৰাজকোষ টনকিয়াল কৰিছে। কিন্তু অসমত প্ৰকৃতিপ্ৰদত্ত পৰ্যটন সমলবোৰো প্ৰচাৰৰ অভাৱত এলাগি হৈ পৰি ৰৈছে।

ৰাজ্যখনৰ ৰাজকোষ টনকিয়াল কৰাৰ লগতে ভয়াবহ ৰূপত বাঢ়ি অহা নিবনুৱা সমস্যাটো সমাধানৰ স্বাৰ্থত চৰকাৰে সম্ভৱনাময় পৰ্যটন উদ্যোগটি বিকাশৰ বাবে মন-কাণ দিয়াটো প্ৰয়োজন। এইক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ ধনবান ব্যক্তিসকলো আগবাঢ়ি অহাটো বাঞ্ছনীয়। পৰ্যটকসকলৰ বাবে নিজৰ সেৱা বিক্ৰী কৰিবলৈ শিক্ষিত যুৱকসকলে অন্তঃকৰণেৰে আগবাঢ়ি অহাটো কাম্য। প্ৰয়োজনীয় আন্তঃগাঁথনিৰে অসম পৰ্যটনস্থলীসমূহ ঠন ধৰি উঠিলে দেশী-বিদেশী পৰ্যটকৰ সোঁত অসমলৈ বোৱাই অনাটো মুঠেই টান কাম নহ'ব।

সেই হ'লে ৰাজ্যখনৰ হাজাৰ হাজাৰ নিবনুৱাই কৰ্মসংস্থাপনৰ সুবিধা পাব। পৰ্যটন তথ্য কেন্দ্ৰ, টুৰ এণ্ড ট্ৰেভেল্‌ছ, পৰ্যটন উদ্যান, সাংস্কৃতিক পৰ্যটন কেন্দ্ৰ, ক্ৰীড়া উদ্যান, আধ্যাত্মিক পৰ্যটন কেন্দ্ৰ ইত্যাদিবোৰতো পৰ্যটক গাইড, ড্ৰাইভাৰ, মেনেজাৰ, মালি, ৰান্ধনিৰ পৰা শিল্পী, কলা-কুশলীলৈ ভাগে ভাগে নিয়োগৰ সুবিধা ওলাব। পৰ্যটনস্থলীবোৰত হোটেল, ফাষ্টফুড ৰেস্তোৰাঁ, ফুল-মূলৰ দোকান, পাণ-তামোলৰ দোকান, উপহাৰ সামগ্ৰীৰ দোকান, ভাস্কৰ্য শিল্প, চিত্ৰ শিল্প, বস্ত্ৰ শিল্পৰ দোকান, অসমীয়া পিঠা-পনা, জলপানৰ দোকান দিয়াৰ উপৰি নৈ-বিলবোৰত নৌকা বিহাৰ, পাহাৰ-পৰ্বতবোৰত শৈলাৰোহণ, নিত্যবতা জান-জুৰিত ৰেফ্‌টিং, এংগলিং, ভ্ৰমণৰ বাবে যান-বাহনৰ সুবিধা, পাৰ্কিং প্লেচৰ সুবিধা আদি প্ৰদানৰ জৰিয়তে হাজাৰ হাজাৰ নিবনুৱাৰ নিয়োজনৰ বাট মুকলি হ'ব। পৰোক্ষভাৱে অসমৰ বাঁহ-বেতৰ শিল্প, কাঁহ-পিতলৰ শিল্প, মুখা শিল্প আদিৰো বিকাশ ঘটিব। পৰ্যটকে বিচৰা সা-সামগ্ৰীৰ উৎপাদক আৰু যোগনিয়াৰ সকলো আৰ্থিকভাৱে লাভান্বিত হ'ব। এজন বিদেশী পৰ্যটকে দিনটোত যিমানখিনি ব্যয় কৰে সেইখিনি আমাৰ ৭জন মানুহৰ দৈনিক আয়ৰ সমান। তেনেহ'লে ইয়াতকৈও লাভজনক উদ্যোগ আন কিবা থাকিব পাৰেনে? আমি আশা কৰিছোঁ অসম চৰকাৰে অহা দহ বছৰলৈ পৰ্যটন উদ্যোগটি বিকাশৰ কামকে প্ৰথম অগ্ৰাধিকাৰ দিব। প্ৰয়োজনীয় আন্তঃগাঁথনিৰে অসমৰ প্ৰতিখন গাঁও, প্ৰতিটো অঞ্চল আকৰ্ষণীয় কৰি গঢ়ি তুলিব। উপযুক্ত বিপণনৰ যোগেদি আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মহলত ৰূপহী অসমখনৰ বিষয়ে প্ৰচাৰ চলাব। বিশ্ব পৰ্যটনৰ মানচিত্ৰত অতুলনীয় অসমখনে যে এখন মৰ্যদাসম্পন্ন আসন অধিকাৰ কৰি ল'ব সি ধ্ৰুৱ। কাৰণ অসমত পৰ্যটনৰ এনে কিছুমান সমল আছে, যিবোৰ বিশ্বৰ আন ক'তো পাবলৈ নাই। সেইখিনি চাবলৈকে অসমলৈ পৰ্যটনৰ সোঁত ব'ব। লগে লগে ৰাজ্যখনৰ ৰাজকোষলৈ বৰঙণি আহিব আৰু নিবনুৱা সমস্যাৰ ভাৰো ভালেখিনি কমি যাব।

❖❖❖